চিন্তা-ভাৱনা মতে নিজৰ কাম কৰি আছোঁ।

▶ গল্প বা উপন্যাস এখন ৰচনা কৰোঁতে আপুনি বক্তব্যৰ ওপৰত অধিক গুৰু ত্ব দিয়ে নে আংগিকৰ ওপৰত অধিক গুৰৰু ত্ব দিয়ে?

▶▶ আংগিকৰ ওপৰত গুৰু ত্ব কম দিওঁ। প্ৰায় নিদিও বুলিয়েই কব পাৰোঁ। 'বক্তব্য' ও মোৰ কাৰণে মুখ্য বস্তু নহয়; কাহিনী, চৰিত্ৰ, পৰিবেশ, সামগ্ৰিক সৌন্দৰ্য, ৰস আদিৰ প্ৰতি মই বেছিকৈ আকৃষ্ট। 'বক্তব্য' এইবোৰৰ মাজত নিমজ্জিত হৈ থাকে। ''এইটো বক্তব্য প্ৰকাশ কৰিবলৈ এই গল্পটো লিখিম'' - এনেকে থানতে ঠিক কৰি লৈ মই গল্প লিখা নাই। গল্পটো লিখি শেষ কৰাৰ পাছত কিবা 'বক্তব্য' ধৰা পৰিল যদি পৰিল, নপৰিল যদি নাই। ইয়াত বক্তব্য বোলোঁতে মই 'বাণী'ৰ কথা বুজাইছোঁ।

▶ সাম্প্ৰতিক অসমীয়া সাহিত্যই, বিশেষকৈ গল্প আৰু কবিতাই বিষয় বস্তু আৰু আংগিকৰ দিশত নতু নত্ব কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। আমি জানিব খুজিছোঁ, - সাম্প্ৰতিক অসমীয়া সাহিত্যই বিশ্ব সাহিত্যৰ সমপৰ্য্যায় পাইছেগৈ বুলি আপুনি ভাবেনে?

▶▶ বিশ্ব সাহিত্য বুলি তু মি নিশ্চয় বিশ্বৰ বিভিন্ন ঠাইৰ সাহিত্যৰ সমালোচক আৰু পাঠক-পাঠিকাই উন্নত মানৰ বুলি স্বীকাৰ কৰা ৰচনাৰ কথা বুজাইছা। অসমীয়া ভাষাৰ কিছু ৰচনা তেনে মানলৈ উঠিছে ; কিন্তু কিমান সংখ্যক ৰচনা সেইমানলৈ উঠিলে সমগ্ৰ অসমীয়া সাহিত্যকে সেই পৰ্যায়ত ঠাই দিব পাৰি, সিমান সংখ্যক ৰচনাই সেই পৰ্যায় পোৱা নাই।

▶ নব্বৈ দশকৰ আৰম্ভণিৰ পৰা বৰ্ত্ত মানলৈকে বহু সংখ্যক নবীন লেখক -লেখিকাৰ সৃষ্টি হৈছে। এই নবীন লেখক-লেখিকা সকলৰ ভৱিষ্যৎ সম্পৰ্কে আপুনি আশাবাদীনে?

▶▶ তু মি যি সকলৰ কথা কৈছা, তেওঁলোকে লিখিবলৈ লোৱা বৰ বেচি দহ বছৰ হৈছে। এওঁলোকৰ সকলোৰে ক্ষেত্ৰত আশাবাদী হোৱাটো এতিয়াই সম্ভৱ নহয়; কিন্তু সময় ত এওঁলোকৰ লেখাৰ উৎকৰ্ষ ঘটিব বুলি আশা কৰোঁ। কেইবাগৰাকীও নতু ন লেখক-লেখিকাই উল্লেখযোগ্য, গুৰুত্বপূৰ্ণ কাম কৰিছে। এওঁলোকৰ সৃষ্টিয়েই অসমীয়া সাহিত্যক চহকী কৰিব বুলি আশা কৰোঁ। কিন্তু যোৱা শতিকাৰ পঞ্চাছ-ষাঠিৰ দশকত লেখক -লেখিকা হিচাপে যি সকলৰ অভ্যুদয় ঘটিছিল, এতিয়াও সেইসকলৰ গল্প- উপন্যাস কবিতাৰ প্ৰতিয়েই যে পাঠক -পাঠিকাৰ আকৰ্ষণ প্ৰবল হৈ আছে, সেই কথাটো তোমালোকে মন কৰিছানে?যদি কৰিছা, তেনেহলে আমি সকলোৱে এটা কথা মানিব লাগিব;-তেতিয়াৰ আৰু এতিয়াৰ লেখাৰ মানৰ ক্ষেত্ৰত তাৰতম্য ঘটিছে। তথাপি, আমি নতু ন লেখক-লেখিকাৰ ক্ষেত্ৰত আশাবাদী হবই লাগিব ; কাৰণ অসমীয়া সাহিত্যৰ জীৱনটোৰ এছে াৱা এওঁলোকেই লালন- পালন কৰিব লাগিব। আমি আন্তৰিকতাৰে আশা কৰোঁ, - সাহিত্যকৰ্মক সাধনা হিচাপে লৈ এওঁলোক উচ্চমানৰ সাহিত্য-সৃষ্টিত সফল হওক ।

▶ সম্প্ৰতি আমাৰ দেশখনে সকলো ক্ষেত্ৰতে ক্ৰমশঃ এক অবক্ষয়ৰ দিশলৈ গতি কৰিছে। এনে সময়ত লেখক সকলৰ দায়িত্ব আপুনি কি বুলি ভাবে?

▶▶ তেখেত সকলৰ কামকো যাতে অৱক্ষয়ে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে অহোপুৰু ষাৰ্থ কৰা।

▶ আপুনি এজন চলচ্চিত্ৰ পৰিচালক হিচাপেও আমাৰ অসমলৈ, অসমীয়া চলচ্চিত্ৰলৈ কেইবাটাও সন্মান কঢ়িয়াই আনিছে। কিন্তু গল্প আৰু উপন্যাস এই দুটা সৃষ্টিশীল কাৰ্য্যৰ সাধনাত ব্ৰতী হৈ থকা স্বত্বেও আপুনি কিয় চলচ্চিত্ৰ পৰিচালনাৰ দিশলৈ আগবাঢ়িল?জনসাধাৰণৰ হৃদয়ৰ অধিক ওচৰ চাপিবলৈ চলচ্চিত্ৰকহে আপুনি উপযুক্ত মাধ্যম বুলি ভাবে নেকি?

▶▶ মই নিজে প্ৰথম চলচ্চিত্ৰখন নিৰ্মাণৰ কাম হাতত লৈছিলো ১৯৭৬ চনত, আৰু প্ৰথমখন উপন্যাস আৰম্ভ কৰিছিলো তাৰ তিনি বছৰমানৰ পাছত। শ্ৰী পৰাগধৰ চলিহাই নিৰ্মাণ কৰিবলৈ লোৱা 'সোণ-ৰূপ নেওচি' নামৰ চলচ্চিত্ৰ এখনৰ কামত জড়িত হৈছিলো ১৯৫৭ চনত। গুৰু ত্ব দি গল্প লিখা কামটো আৰম্ভ কৰিছিলো ১৯৫২ চনত; কিন্তু চলচ্চিত্ৰৰ কাৰণে কাহিনী এটা লিখি দুই এজনৰ লগত যোগাযোগ কৰিছিলো ১৯৫১ চনতে। গতিকে গল্প, উপন্যাস, চলচ্চিত্ৰ- এইবোৰৰ কোনটোৰ প্ৰতি থকা নিচা প্ৰবল আছিল, সেইটো সঠিককৈ কোৱা মোৰ পক্ষে টান আছিল। গল্প এটা লিখোঁতে যিমান খৰচ পৰে, চলচ্চিত্ৰ এখন নিৰ্মাণ কৰোঁতেও যদি সিমানেই খৰচ পৰিলহেঁতেন, তেনেহলে মই হয়তো যোৱা শতিকাৰ পঞ্চাশৰ দশকতে চলচ্চিত্ৰ নিৰ্মাণ কৰিলোহেঁতেন। জনসাধাৰণৰ হৃদয়ৰ অধিক ওচৰ চাপিবলৈ মই চলচ্চিত্ৰক উত্তম মাধ্যম বুলি ভবা

নাছিলো;মোৰ নিজৰ মনৰ ওচৰ চাপিবলেহে সেই কাম কৰিছিলো।

▶ আপুনি শেষতীয়াকৈ কোনো চলচ্চিত্ৰ নিৰ্মাণৰ কাম হাতত লৈছে নেকি?

▶▶ দূৰদৰ্শনৰ কাৰনে চু টি চলচ্চিত্ৰ এখনৰ কাম হাতত লৈছোঁ।

▶ আপোনাৰ মতে প্ৰতিভা (talent) কি?

▶▶ প্ৰতিভা হ'ল মানুহৰ এক স্বভাৱজাত গুণ। ইয়াৰ লগত অসাধাৰণ বুদ্ধি, উদ্ভাৱনী শক্তি, সৃষ্টি শক্তি, উচ্চপৰ্যায়ৰ বোধ শক্তি আৰু গভীৰ জ্ঞান জড়িত থাকে। এই শব্দটোৰ অৰ্থ অভিধান মতে যি, মোৰ মতেও সেই একেই।

▶ বিজ্ঞানৰ ক্ষেত্ৰত আমাৰ অসমীয়া ছাত্ৰ ছাত্ৰী সকলে ভাৰতৰ অন্যান্য ৰাজ্যৰ ছাত্ৰ ছাত্ৰীৰ লগত সমানে ফেৰ মাৰিব পৰা হৈছে বুলি আপুনি ভাবেনে ? এই ক্ষেত্ৰত অসমৰ তিনিখন ইঞ্জিনিয়াৰিং কলেজ, এখন আই. আই. টি আৰু তিনিখন মেডিকেল কলেজে অসমীয়া বিজ্ঞান পিপাসু ছাত্ৰ - ছাত্ৰী সকলৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিব পাৰিছে বুলি আপুনি ভাবেনে?

▶▶ মগজ বা বুদ্ধিৰ ফালৰ পৰা চাবলৈ গলে অন্যান্য ৰাজ্যৰ ছাত্ৰ -ছাত্ৰীৰ লগত ফেৰ মাৰিব পৰা অসমীয়া ছাত্ৰ ছাত্ৰীও ওলাব। কিন্তু ফেৰ মাৰিবলৈ হ'লে যি ধৰণৰ প্ৰশিক্ষণ, পৰিবেশ আৰু প্ৰচেষ্টাই তেওঁলোকক আগুৱাই দিব লাগে, সেই ধৰণৰ প্ৰশিক্ষণ, পৰিবেশ আৰু প্ৰচেষ্টা আমাৰ ইয়াত সতকাই পাবলৈ নাই।নিজৰ গুণ, শক্তি, বুদ্ধি আৰু চেষ্টাৰ বলত কিছুমান ছাত্ৰ-ছাত্ৰী উচ্চ স্তৰত উপনীত হৈছে; কিন্তু সামগ্ৰিকভাৱে, সকলো ছাত্ৰ-ছাত্ৰীকে এক প্ৰশংসনীয় স্তৰলৈ নিয়াৰ বাবে শিক্ষা প্ৰতিষ্ঠান সমূহৰ যি কৰ্তব্য, সেই কৰ্তব্য শিক্ষা - প্ৰতিষ্ঠানসমূহে পালন কৰিব পৰা নাই।

▶ অনুগ্ৰহ কৰি আপোনাৰ হবি(Hobby) কি এই বিষয়ে আমাক জনাব নেকি?

▶▶ আগতে কেইবাটাও হবি আছিল; এতিয়া প্ৰধান হবি হ'ল, -টেলিভিছনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ টেনিছ ,ফুটবল আৰু ক্ৰিকেট খেল, ডিস্ক'ভাৰি আৰু নেশ্যনেল জিঅ'গ্ৰাফিক চেনেলৰ অনুষ্ঠান, আৰু শাস্ত্ৰীয় সংগীতৰ অনুষ্ঠান চোৱা।

▶ প্ৰেম আৰু জীৱন সম্পৰ্কে আপোনাৰ অভিমত কি?

▶▶ প্ৰেম বোলা বস্তুটোৱে বহু ধৰণৰ ক্ৰিয়া প্ৰক্ৰিয়া সামৰে। সাধাৰণতে নাৰী আৰু পুৰুষৰ পৰস্পৰৰ প্ৰতি থকা মনৰ আকৰ্ষণ আৰু তাৰ লগত জড়িত থকা দৈহিক বাসনাৰ কথাটোৱেই প্ৰেমৰাজ্যৰ অধিকাংশ ঠাই অধিকাৰ কৰি থাকে। কিন্তু এই এই বিশ্ব ব্ৰহ্মাণ্ডৰ অলেখ বস্তুৰ প্ৰতি থকা আমাৰ প্ৰেমৰ মাহাত্ম্যও বৰ গুৰুত্ব পূৰ্ণ। জীৱনৰ বাটৰ কেঁকুৰিয়ে-কেঁকুৰিয়ে প্ৰেমৰ ৰূপ সলনি হয়। উদাহৰণ স্বৰূপে, - এহাল মানুহৰ যৌৱনৰ উত্তাল প্ৰেমে এদিন সন্তানৰ আগমণত ৰং সলায়; সতি - সন্ততিৰ প্ৰতি থকা গভীৰ প্ৰেমৰ লগত এদিন ঈশ্বৰ প্ৰেমৰ ৰং মিহলি হয়, গভীৰ বৈষয়িক প্ৰেম এদিন প্ৰকৃতি প্ৰেমলৈ ৰূপান্তৰিত হয়। গতিকে প্ৰেম হ'ল গভীৰভাৱে ভালপোৱাৰ প্ৰক্ৰিয়া। কাক ভাল পাইছোঁ, সেইটো মোৰ মনৰ চৰিত্ৰ আৰু মনৰ গতিৰ ওপৰত নিৰ্ভৰ কৰে। আচলতে এইটো মনৰ মাজেদি বৈ থকা পবিত্ৰ পানীৰ এক অনন্ত জুৰিৰ নিচিনা বস্তু । ক'ত সেই জুৰিৰ উৎস, কলৈ সি বৈ গৈছে, সঠিককৈ কোৱা টান।

▶ এটা নতুন শতিকাত পদাৰ্পন কৰিবলৈ আগবঢ়া ন-প্ৰজন্ম আমি। বয়োজেষ্ঠ সকল আমাৰ পথ পদৰ্শক, অতি আদৰৰ, অতি শ্ৰদ্ধাৰ। অগ্ৰজ হিচাপে আপোনাৰ হিতোপদেশলৈ আমি, ন-প্ৰজন্মই আগ্ৰহেৰে বাট চাই ৰ'লো।

▶▶ বিজ্ঞানৰ অভাৱনীয় অগ্ৰগতি আৰু ৰাজনৈতিক কুটিলতাৰ ফলত সময়ৰ লগে লগে 'হিতোপদেশ'ৰ ৰূপ সলনি হ'ব পাৰে বুলি আশংকা হয়। তথাপি মই ভাবোঁ, এই শতিকাতেই হওঁক পাছৰ শতিকাতেই হওঁক মানুহৰ প্ৰকৃত সুখ, শান্তি আৰু সমৃদ্ধিৰ কাৰণে কিছুমান বস্তুৰ মূল্য একেই থাকিব। তাৰ দুটা বস্তু হ'ল কঠোৰ পৰিশ্ৰম আৰু সততা। পৰিশ্ৰম আৰু সততাৰ বিনিময়ত যি পাবা, সেইখিনিহে তোমাৰ ভোগ্য। আজিৰ অসমৰ যুৱক যুৱতীৰ কাৰণে এই কথা মনত ৰখাটো বৰ প্ৰয়োজনীয় হৈছে। তোমালোকৰ ভাল হওক।

[ চিঠিৰ মাধ্যমেৰে প্ৰশ্ন উত্তৰখিনি যুগুতোৱা হৈছে। আলোক চিত্ৰ আৰু বায়'ডাটা হৃদয়ানন্দ গগৈ সম্পাদিত 'গল্প আৰু শিল্প'ৰ পৰা লোৱা হৈছে।
- সম্পাদিকা ]

## বিভিন্ন ঠাইৰ ভিন্ন নাম

| | | | | | |
|---|---|---|---|---|---|
| সূৰ্যোদয়ৰ দেশ | - | জাপান | এন্দুৰৰ মহানগৰী | - | মেক্সিকো |
| পুৱাৰ শান্ত দেশ | - | কোৰিয়া | আনন্দৰ মহানগৰী | - | নিউইয়ৰ্ক |
| সূৰ্যাস্তৰ দেশ | - | আমেৰিকা | বতাহৰ দেশ | - | চিকাগো |
| মাজৰাতি সূৰ্য দেখা দেশ | - | নৰ’ৱে(ইউৰোপ) | সমুদ্ৰ বন্ধুৰ দেশ | - | গ্ৰেট ব্ৰিটেইন |
| ৰাতিৰ ৰামধেনুৰ দেশ | - | হাৱাইদ্বীপ | চিগাৰেট সেৱনকাৰী দেশ | - | কুৱেইট |
| সৌন্দৰ্য ৰাণীৰ দেশ | - | ভেনিছ | কমলাৰ দেশ | - | ব্ৰাজিল |
| পাতালৰ দেশ | - | নেদাৰলেণ্ড (ইউৰোপ) | নদী নথকা দেশ | - | চৌদি আৰব |
| ভূমিকম্পৰ দেশ | - | জাপান | ভাৰতৰ দুৱাৰমুখ | - | মুম্বাই |
| ৰেল লাইন নথকা দেশ | - | আইলেণ্ড (ইউৰোপ) | ভাৰতৰ প্ৰসাদৰ মহানগৰী | - | কলিকতা |
| জাৰকালি ৰৰষুনৰ দেশ | - | উত্তৰ ইজৰাইল (এছিয়া) | ভাৰতৰ বাগিছা | - | বাঙ্গালোৰ |
| টেলিফোন নথকা দেশ | - | গ্ৰীণলেণ্ড | ভাৰতৰ গোলাপী চহৰ | - | জয়পুৰ |
| ডকাইতৰ মহানগৰী | - | নিউইয়ৰ্ক | ভাৰতৰ মছলাৰ বাগিছা | - | কেৰালা |
| অন্ধকাৰৰ দেশ | - | আফ্ৰিকা মহাদেশ | ভাৰতৰ মন্দিৰৰ নগৰ | - | বাৰাণসী |
| ব্ৰজপাতৰ দেশ | - | ভূটান | | | |

সংগ্ৰাহক ঃ আব্দুল মোস্তাক
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

**FAILURE**

F (Fear) - ভয় খালেই মানুহ বিফল হয়।

A (Anger) - খঙে মানুহৰ কাণ্ডজ্ঞান নষ্ট কৰে।

I (Inferiority) - হীনমন্যতাৰ বাবে আত্মবিশ্বাসৰ মৃত্যু ঘটে। জীৱনত সেয়ে নিজকে কেতিয়াও সৰু বুলি ভাবিব নালাগে।

L (Lonliness) - অকলশৰীয়া জীৱন যাপন কৰিলে কোনো তথ্য আহৰণ কৰিব নোৱাৰি।

U (Uncertainity) -মনত সন্দেহৰ ভাৱ আনিলে লক্ষ্য প্ৰাপ্তিৰ দিশত আত্মবিশ্বাস হেৰুৱাব লগীয়া হয়।

R (Resent ment) -অসৎভাৱ মনলৈ আনিব নালাগে।

E (Emptiness) - কোনো পধ্যেই মনলৈ ৰিক্ততাৰ ভাব আহিবলৈ দিব নালাগে। মনৰ ৰিক্ততাই মানুহক হতাশ কৰি তোলে। হতাশাগ্ৰস্ত ব্যক্তি কেতিয়াও লক্ষ্যত সফল হ’ব নোৱাৰে।

ড° মেক্সৱেল মেল্‌ট্‌জ্ (সংগ্ৰাহক ঃ প্ৰদীপ চেত্ৰী, B.Sc 1st year)

# কবিতাৰ কৰণি



(কবিতাৰ স্কেট্চ অংকণ কৰিছে ঃ পল্লৱী গগৈ)

# কলেজ

শ্ৰীকিশোৰ কুমাৰ গগৈ
স্নাতক প্ৰথম বৰ্ষ



হেমকোষত বিচাৰি নোপোৱা শব্দবোৰো
তোমাৰ মুখত আঁখে ফুটাদি ফুটেনে
ৰেলৰ আলিৰ দূবৰিবন গচকি
ৰঙীন পখিলাৰ জাকটোক
তুমিও বাৰু কেতিয়াবা জোকোৱানে
নিউ ইয়েৰ বা ভেলেন্টাইন ডেত
আৰ্চিছ আৰু গিফ্‌ট গেলাৰীত
' কাৰ্ড 'ৰ মাজত তুমিও হেৰাইছানে
ৰাধাকৃষ্ণ, লিট্‌ল কেফেত
সেউজীয়া গান এটাৰ সৈতে
আবেলি এটা ৰঙীন কৰিছানে
বনলতাৰ পৰা ৰিডনলৈ
তুমিও ঘূৰা নে
ধূসৰ পৃষ্ঠাৰ কিতাপ বিচাৰি;
নতুবা দেওবাৰবোৰত
তুমিও ঘনেপতি বাহিৰলৈ চোৱানে
আপোন কোনোবা আহিব বুলি,
টকী হাউচ, ডালিমীত
তুমিও কেতিয়াবা ভুমুকি মাৰানে;
বা বিল ক্লিন্টনৰ কেলেংকাৰী
আৰু টেণ্ডুলকাৰৰ 'ছিক্সে'
তোমাকো মতলীয়া কৰেনে,
মাহৰ শেষত
'ৰামবদন'ত একাপ চাহকে চাৰিভাগ কৰানে;
বা লগৰীয়াৰ অট'গ্ৰাফত
তুমি লিখানে
সময়ে ধুই যোৱা স্মৃতিৰ এখিলা পাত -।।

# উজাগৰী নিশা

শ্ৰীঋতুৰাজ দত্ত
স্নাতক তৃতীয় বৰ্ষ

দুৱাৰ মেলিলেই য'ত দেখি
জীৱনৰ ভয় লগা ছবি
অন্ধকুপৰ পৰা য'ত
মুক্ত আকাশখন তিলমানো নেদেখি
কেৱল বতাহৰ সোঁ সোঁৱনি
শুনি পাওঁ বিভীষিকাৰ পদধ্বনি।
মাজনিশা ......
সৰা পাতৰ শব্দৰে
জয়াল হোৱা মাজনিশা
শুনি পাওঁ কেৱল নৰপিশাচৰ অট্টহাস্য
প্ৰতিটো নিঁয়ৰ কণা সৰি পৰে
শুনি পাওঁ আতংকৰ বাতৰি;
ক'ত উজাগৰী নিশা কটাওঁ
মই খোজ দিওঁ
আন্ধাৰৰ বুকু বিদীৰ্ণ কৰি
প্ৰভাত আঁজুৰি আনি।।



* * * * .... ... ***



# ঋতুৰ দুটা স্তৱক

শ্ৰীদিলীপ শইকীয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ(কলা)

মই নতুনকৈ লোৱা
        পোছাকযোৰ পিন্ধিলে
সকলোৰে কয় খুলি পেলোৱা
        নুশুৱায় তোমাক
তথাপিও কিয়জানো
        হেপাঁহ হয় সেইযোৰ পিন্ধাৰ
        নোৱাৰো খুলিব।।
অতীতত হৈ যোৱা
        ঘটনাটোৰ কথা
আনে গম পালে হাঁহে
        মোক জোকায়
তথাপিও কিয় বাৰু
        মোৰ দুখো নালাগে
                দুগালেদি বন্যাও নানামে।।



# এনেকৈয়ে.......

শ্ৰীযুগল কোঁৱৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)

শেষ হৈ যাব সিহঁত ........
- সিহঁতৰ নিজ
জাতিৰ অস্তিত্ব!!

হেৰাই যাব
সিহঁত
মিলি যাব
সিহঁত!!

চহৰৰ ফুটপাথে ফুটপাথে
ঘূৰি ফুৰিছে
এদল কুকুৰৰ দৰে
এমুঠি অন্নৰ বাবে
এটুপি পানীৰ বাবে
ক্ষুধা নিবাৰণৰ বাবে
সিহঁত হৈ পৰিছে
একো একোটা দস্যু!
ৰাং কুকুৰ!!

শেষ হৈ যাব সিহঁত
এনেকৈয়ে ......।।



# আহ্বান

শ্ৰীযোগেশ বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

মোৰ আইৰ কলিজাৰ কেঁচাতেজ
বিস্ফুৰিত হ'ব নিদিবা,
আইৰ তেজৰ প্ৰতিটো ৰক্তকণাই
সৃষ্টিৰ পাতনি মেলিব।।
ইতিহাসৰ এটা কলংকিত অধ্যায়
সৃষ্টি নকৰিবা,
ভৱিষ্যতৰ ভাই ভগ্নীহঁতে তাক
অনুসৰণ কৰিব।।
ধনৰ টোপোলাতো যদি ডাঙৰ নহয়
তেনেহ'লে ধৰ্ষিতা ভনীজনীৰ হৈ
বিচাৰৰ কাঠগড়াত থিয় নিদিবা
লজ্জিত হ'বা।।
কলীয়া ডাৱৰক আকাশ চানিব নিদিবা
সূৰ্য্যৰ পোহৰক বাধা দিব,
এচাটি হেঙুলীয়া পোহৰ আহিব দিয়া
শান্তিৰ বা কঢ়িয়াই আনক।।

# এতিয়া বহুত ৰাতি

শ্ৰীমতী সংগীতা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ(বিজ্ঞান)

এতিয়া ৰাতি
হয়তো বহুত ৰাতি
কাৰণ আকাশত সূৰ্য্যটো নাই
আৰু নাই সেই দিনৰ পোহৰ।
কিন্তু এতিয়াৰ ৰাতিৰ যেন
কোনো পৰিচয় নাই,
কোনো বৈশিষ্ট্য নাই।
ৰাতি আমি নুশুনো
কোনো ফেঁচাৰ উৰুলি
বা কোনো জিলিৰ বিননি।
সকলো হেৰাই গ'ল
বন্দুক বাৰুদৰ শব্দৰ মাজত।
জোনৰ পোহৰ চাই
কবিতা লিখাৰ ৰাতি এয়া নহয়,
এয়া ৰাতি
পুত্ৰহাৰা মাতৃৰ বিননি শুনাৰ।
জোনাকত পিৰালিত বহি
কথা পতাৰ ৰাতি এয়া নহয়,



এয়া ৰাতি
বন্দুকৰ নলৰ পৰা নিজক বচোৱাৰ।
এইয়া ৰাতি,
ঘোৰ অমাৱস্যাৰ ৰাতি।
ৰাতিৰ ফেঁচাৰ উৰুলি,
জিলিৰ বিননি
যেন হেৰাই গ'ল
পুলিচৰ চাইৰেণৰ মাতত
ৰাতিৰ মধুৰতা
যেন হেৰাই গ'ল
মিলিটেৰীৰ বুট জোতাৰ শব্দত।
মাথো থাকি গ'ল তৰাবোৰ
নিস্তেজ নিস্তব্ধ হৈ
এই ৰাতিৰ সাক্ষী হৈ।

# অভিশপ্ত কাৰগিল

শ্ৰীমতী ৰিম্বিজা গোস্বামী
স্নাতক প্ৰথম বৰ্ষ
(বিজ্ঞান)

মানৱতাৰ আজি এই পৃথিৱীত
এইয়া আকৌ কি? কাৰগিল?
হিংসা, দ্বেষ, অহংকাৰ
আৰু লগতে যুদ্ধও?
শতিকাৰএই সন্ধিক্ষণত
আজি কেৱল মলিনতা....
পোত গৈছে আজি
মানৱ অন্তৰৰ দাপোণখনিও নে?
হায় মোৰ বিধাতা ! হায় সৃষ্টিকৰ্তা!
দয়া কৰা!
দয়া কৰা, তোমাৰ এই
পথভ্ৰষ্ট মানৱক ।
ক'লা মেঘে আৱৰি ৰখা
এই পৃথিৱীৰ জনগণক
পোহৰৰ বাট দেখুওৱা;
যি পোহৰত তেওঁলোকে কেৱল



বিচাৰি পায়
প্ৰেম আৰু প্ৰেম।
জাগি উঠা ন-যুজাঁৰু সকল
জাগি উঠা!
ঘূৰি চোৱা এবাৰ
সেই অতীতৰ মনোৰম
স্মৃতি আৰু সৃষ্টিলৈ!
উজ্বলাই তোলা তুমিও আজি
সেই জ্ঞানৰূপী চাকিগছিক!
মানৱতাৰ বিশ্বপ্ৰেমৰ শলিতাৰে।।

উপন্যাসিকা

# কলাজত কানৈ কলেজ



-মৌচুম বৰুৱা
স্নাতক তৃতীয় বৰ্ষ(ইংৰাজী বিভাগ)

(১)

শৰতৰ নিৰ্মল আকাশখনত অসংখ্য তৰাৰ মেলা। অৰ্ধগোলাকাৰ জোনটোও যেন স্থৱিৰ হৈ মধ্য আকাশত অৱস্থান কৰিছেহি। জোনটোৰ পৰা চিটিকি অহা পোহৰে সন্মুখৰ পথাৰখনৰ লগত ছাঁ - পোহৰৰ ধেমালি কৰিছে। তাৰ বাদে? তাৰবাদে যেন এই পৃথিৱীখনত বিৰাজ কৰিছে এক গভীৰ নিস্তব্ধতা। মাজনিশাৰ এই নিঃসঙ্গ নিস্তব্ধ সময়বোৰ মোৰ বৰ প্ৰিয়। কাৰণ মই ভাবোঁ যে জীৱনক লগ পোৱা যায় ৰাতিৰ নিঃসঙ্গতাতহে। সেয়ে ৰাতিৰ নিৰৱতাত মই প্ৰায়েই আকাশলৈ চাই বহি থাকোঁ। আজিও ৰুমটোৰ মুখৰ ষ্টেপত অকলে বহি আছোঁ। আজি কিন্তু মনটো বৰ গধুৰ গধুৰ লাগিছে। কালিলৈ ঘৰলৈ যাম। একেবাৰেই যামগৈ। পৰহি আমাৰ ফাইনেল পৰীক্ষা শেষ হ'ল। সেয়ে যামগৈ। বহুদিনৰ মূৰত ঘৰলৈ গ'লে ভাল লাগে। আগতে ঘৰলৈ যোৱা কথা ভাবিলে দুদিনমান আগৰ পৰাই মনটো ভাল লাগি থাকে। সেইদৰে ঘৰলৈ যোৱাৰ পাছত ঘৰৰ মানুহবোৰৰ মাজৰ পৰা ঘূৰি আহিবলৈ মনো নগৈছিল। সেয়ে মোৰ বন্ধু মহলে মোৰ ঘৰত গৈ লাগি ধৰা স্বভাৱৰ বাবে ধেমালিতেই ঘৰগোনা বুলি জোকাইছিল। কিন্তু এইবাৰ ভাল লগা নাই। কাৰণ মই এৰি যাব লাগিব বহুকেইজন অন্তৰংগ বন্ধু, মই পঢ়া মৰমৰ কলেজখন, এই চহৰখন আৰু কিছুমান মধুৰ স্মৃতি। এইবাৰো ঘৰলৈ ঘূৰি গৈ মা-দেউতাক পাম, বাইদেউ কেইজনীক পাম আৰু লগ পাম বহুতো বাল্যবন্ধুক। তথাপি এক গভীৰ নিঃসঙ্গতা অনুভৱ কৰিম মই। এনে এটা নিশা মৃন্ময় আৰু মই বহি থাকোঁতে সি মোক কোৱা কথা এটা মনত পৰিছে। সি মোক কৈছিল ... "জান' শশাংক, সেই যে তৰাবোৰ দেখিছ', এই তৰাবোৰ আমি তেনেই ওচৰা-ওচৰিকৈ থকা যেন দেখিলেও ইহঁতবোৰৰ মাজত বহুত দূৰত্ব আছে। গতিকে ইহঁত বৰ অকলশৰীয়া। ইহঁতক আমি উজ্বল দেখিলেও ইহঁতৰ মাজত বিৰাজ কৰে এক চৰম নিঃ সঙ্গতাৰ অন্ধকাৰ। আমাৰ জীৱনৰ ক্ষেত্ৰতো একেই নহয় নে শশাংক?"

ঃ জানো তইহে জান এইবোৰ কথা মৃন্ময়। ময়ো Philosophy পঢ়িছোঁ। তোৰ এই কথাবোৰ মই একো বুজা নাই।

ঃ ধেৎ; তই সব কথা পাতল কৰি দিয় কেলেই? মই Seriouslyকৈছো। এই তৰাবোৰৰ লগত মই আমাৰ এক সামঞ্জস্য দেখোঁ। এই তৰাবোৰৰ দৰে আমিও বৰ নিঃসঙ্গ। পিতৃ-মাতৃ, ভাতৃ-ভগ্নী, বন্ধু-বান্ধৱৰ মাজত থাকিলেও আমি বৰ অকলশৰীয়া। আমাৰ প্ৰত্যেকৰেই অস্তিত্ব পৃথক পৃথক।

ঃ ময়ো তেনেকৈ ভাবোঁ। আমি সচাঁই বৰ নিঃসঙ্গ।

ঃ কিন্তু মই কি ভাবোঁ জান' শশাংক? আমি একেবাৰে নিঃসঙ্গ নহয়। আমি নিজে নিজৰ সৈতে, জীৱনৰ সৈতে এক বন্ধুত্ব স্থাপন কৰি ল'ব পাৰিব লাগিব।

মৃন্ময়ৰ এই কথাকেইটাই মনটোক অলপ সকাহ দিয়ে। তথাপিও মই কালিলৈ যোৱাৰ কথাটো সহজভাবে ল'ব পৰা নাই। হঠাৎ পাছফালে কোনোবা অহা যেন অনুমান কৰি ঘূৰি চালো। জোনৰ স্তিমিত পোহৰত মানৱৰ ইষৎ হাস্যবদন মুখখন জিলিকি উঠিল। সি মোৰ কাষতেই বহি ক'লে ... "শশাংকদা বহুত ৰাতি হ'ল নুশুৱে নেকি? কালিলৈ ৰাতিপুৱাই ইমান দূৰ বাছত যাব

লাগিব। শুই থাকক আৰু।

ঃ নাই মানৰ, মই আৰু আজি শুব নোৱাৰিম চাগৈ।

ঃ কিন্তু শশাংক দা, কালিলৈ ইমান দূৰ ...

ঃ নাই মানৰ, তথাপি মই শুব নোৱাৰোঁ। আৰু জানা মানুহে জীৱনত কেতিয়াও শুব নোৱাৰে। হয়, নিদ্ৰাই শান্তি। কিন্তু শান্তি ক'ত? আচলতে মানুহৰ শোৱা হয় কেৱল মৃত্যুৰ পাছতহে। স্থায়ী নিদ্ৰা।Death is the permanent sleep.

ঃ আপুনি কি কথাখননো কৈ থাকে মই একোৱেই বুজিব নোৱাৰো শশাংক দা।

ঃ বাৰু বাদ দিয়া সেইবোৰ। অজি মই মানুহটোৱেই কিবা হৈ আছোঁ। হেৰি নহয় মানৰ, এতিয়া মোৰ লগত অলপ ওলাই যাবা?

ঃ এই মাজৰাতিখন ইমান ঠাণ্ডাত কলৈ যাব?

ঃ ব'লাচোন মোৰ লগত। আচলতে কি জানা নালিয়াপুললৈ যোৱা এই ৰাস্তাটোত ৰাতিৰ নিৰৱতাত খোজ কাঢ়ি মই বৰ আমেজ পাওঁ। কিন্তু কালিলৈৰ পৰাতো আৰু এই আমেজ নাপাওঁ। সেয়ে আজি শেষ ৰাতি ইয়াৰ অলপমান মুক্ত বতাহ সেৱন কৰি লওঁ।

ঃ বাৰু বলক তেনেহ'লে। অ, অকণমান ৰ'ব জেকেটটো পিন্ধি লওঁ। বাহিৰত বৰ ঠাণ্ডা পৰিছে। আপুনিও কিবা এটা ভালকৈ পিন্ধি লওক।

ঃ হ'ব বাৰু। সোনকাল কৰা।

(২)

দুফালে পথাৰ, মাজত ৰাস্তাটো। আহ্ কি আমেজ আছে নিশাৰ চন্দ্ৰোদ্বল এই ৰাস্তাত খোজ কঢ়াৰ। ৰাস্তাটোৰ দুয়ো কাষৰ বতাহত হালি-জালি থকা সেউজীয়া ধান গছবোৰে প্ৰতিশ্ৰুতি দিছে নতুন প্ৰজন্মৰ। পৃথিৱীৰ কবি ৰাম গগৈৰ কালজয়ী 'পথাৰ' কবিতাৰ দুটামান শাৰী মনলৈ আহি গ'ল -

"সেউজীয়া প্ৰাণৰ পথাৰ
সোণালী ৰূপালী হয়
বাকৰিত সোণ গুটি লাগে
নতুন আৰু নতুন
হে পথাৰ
হে সৃষ্টি সম্ভৱা বিপুল পথাৰ
তোমাক নমস্কাৰ।"

হঠাৎ মৌনতা ভাঙি মানৰে ক'লে - "শশাংক দা, মৌন হৈ ৰ'ল যে? বাৰু আপোনাক এটা কথা সুধো। কালিলৈ যে আপুনি যাবগৈ, তাৰপাছত বাৰু আমাৰ কথা কেতিয়াবা মনত পৰিবনে?

ঃ নাই নাই; তোমালোকৰ কথা আকৌ কেলৈ মনত পৰিব? পাহৰি যাম একেবাৰে।

ঃ শশাংক দা, মই Seriously কথাটো সুধিছোঁ।

ঃ তুমিও যে ভাল কথাবোৰ কোৱা আৰু মানৰ। তোমালোকক আকৌ মই কিয় পাহৰিম? এতিয়া মোৰ জীয়াই থকাৰ সমল কেৱল তোমালোকৰ লগত কটোৱা এই ক্ষণবোৰৰ মধুৰ স্মৃতি। আৰু জানা, আজিৰ এই অশান্ত জৰ্জৰ সময়ত মানুহবোৰ জীয়াই আছে কেৱল মাত্ৰ লগত থকা এমুঠি মধুৰ স্মৃতিৰ সৈতে নিবিড় সম্পৰ্ক ৰাখি।

ঃ অ! শশাংক দা, কথা পাতি আহি থাকোঁতে বহুত দূৰ পালোহি। এইয়া নালিয়াপুল ৰেলৱে ক্ৰচিং পালোহি। বলক আৰু উভতো।

ঃ নহয় মানৰ, এয়া কলেজ ৰ'ড পালোহিয়েই অকণমান দূৰ গ'লেই কলেজৰ সন্মুখ পামগৈ। বলাচোন গৈ আহোঁগৈ। নিশাৰ নিস্তব্ধতাত কলেজখনৰ প্ৰাণচঞ্চলতাক বিচাৰি চাওগৈ।

ঃ বলক বাৰু।

অলপ দূৰৰ পৰাই সন্মুখৰ ৰেলৱে ৱৰ্কচপৰ নিয়ন লাইটৰ ৰঙীণ পোহৰত উদ্ভাসিত কলেজৰ সুবৃহৎ ঘৰবোৰ দেখি এইবোৰ এৰি যোৱাৰ বেদনাত মনটো ভাৰক্ৰান্ত হৈ পৰিল। মই মানৱৰ অস্তিত্বৰ কথা পাহৰি ৰাস্তাটো পাৰহৈ কলেজৰ ডাঙৰ লোহাৰ গেটখনত ধৰি কলেজখনলৈ তন্ময় হৈ চাব ধৰিলো। কলেজৰ সন্মুখৰ শাৰী শাৰী সৰল গছৰ মাজেৰে পাৰহৈ অহা ৰঙা পোহৰবোৰে কলেজৰ ঘৰবোৰৰ ওপৰত এক ছাঁ-পোহৰৰ মেলা পাতিছে। মোৰ মানসপটৰ সন্মুখেদিও পাৰহৈ যাব ধৰিলে স্মৃতিৰ কিছুমান ধূসৰ ছবি। কিমান সময় তেনেকৈ গেটখনত ধৰি চাই থাকিলো ক'ব নোৱাৰিলো। মানৰে কান্ধত হাতখন থৈ মতাত হে মোৰ তন্দ্ৰা ভাগিল। মই বৰ আবেগিক হৈ পৰিছিলো। ক'ব নোৱাৰাকৈয়ে মোৰ দুই চকুৰ কোণৰ পৰা বাগৰি আহিছিল দুধাৰি তপত চকুলো। মানৰে মোৰ মুখলৈ চাই ক'লে ... "যাওঁগৈ বলক। বহুত দেৰি হ'ল।"

ঃ ব'লা। তোমাৰ চাগে টোপনি ধৰিছে? মই বৰ আবেগিক হৈ গৈছোঁ, নহয় নে মানৱ?

ঃ আপুনি সঁচাকৈয়ে আবেগিক হৈছে যেন লাগিছে শশাংক দা। চকুপানী মচি লওক।

ঃ নাই নাই, এই চকুপানী মই নমচো মানৱ। ওলাবলৈ দিয়া। কাৰণ এই চকুপানীয়ে কঢ়িয়াই আনিছে মোৰ হৃদয়ৰ এক গভীৰ বাৰ্তা। অ, মানৱ অকণমান ৰ'বা। তুমি বাৰু এই কলেজখনৰ ঐতিহ্য সম্পৰ্কে জানানে?

ঃ নাই শশাংক দা, বিশেষ নাজানোঁ।

ঃ তেনেহ'লে তুমি বৰ ডাঙৰ ভুল কৰিছা। নিজে পঢ়া কলেজখনৰ ইতিহাস জনাটো বৰ প্ৰয়োজন। কেৱল ইয়েই নহয়; প্ৰত্যেকটো বস্তুৰেই অধ্যয়ন কৰিবলৈ বা জানিবলৈ হ'লে তাৰ ইতিহাসটো তুমি জানিব লাগিব। Anything withoyt history has no root. অৰ্থাৎ ইতিহাসবিহীন জ্ঞান শিপা নোহোৱা গছৰ দৰে। আৰু শিপা বিহীন গছৰ পৰা জানো ফল-ফুল আশা কৰিব পাৰি? গতিকে প্ৰত্যেকটো বস্তুৰেই ইতিহাসটো প্ৰথমে জানি ল'বা। তুমি বিজ্ঞানৰ ছাত্ৰ হ'লেও বিজ্ঞানৰ প্ৰত্যেকটো বিষয়ৰেই এটা ইতিহাস নাই জানো? এই ইতিহাস বা পটভূমিৰ অধ্যয়ন অবিহনে বিষয়টোৰ পূৰ্ণ জ্ঞান লাভ কৰিব পাৰি জানো?

ঃ হয় শশাংক দা, নোৱাৰি।

ঃ আৰু জানা। বিজ্ঞান আৰু কলা দেখাত পৃথক হ'লেও ইহঁতৰ মাজত এক নিবিড় সম্পৰ্ক আছে। আচলতে বিজ্ঞানৰ প্ৰকাশ হয় কলাৰ মাধ্যমেৰে আৰু কলাৰ বিকাশ হয় বিজ্ঞানৰ মাধ্যমেৰে। অৰ্থাৎ বিজ্ঞানক কলাসুলভ বা কলাত্মক ৰূপত প্ৰকাশ কৰিব লাগিব; তেতিয়াহে ই গণমুখী হ'ব। সেইদৰে কলাক আমি বিজ্ঞানসম্মত দৃষ্টিভঙ্গীৰে আগবঢ়াই নিব লাগিব; তেতিয়াহে ই আধুনিক বা যুগ উপযোগী হ'ব। অ, মই তোমাক কি কৈ আছিলো?

ঃ কলেজৰ ঐতিহ্যৰ বিষয়ে।

ঃ অ, মই ঘৰৰ পৰা ইমান দূৰত আহি এই কলেজখনত পঢ়াৰ অন্তৰালৰ কথাটো কি জানা? ১৯৯৫ চনত যে কলেজৰ সোণালী জয়ন্তী উদ্‌যাপন হৈছিল, তেতিয়া 'অৰ্ধশতাব্দী' নামৰ এখন স্মৃতিগ্ৰন্থ ওলাইছিল। তাত কলেজখনৰ জন্ম যন্ত্ৰণাৰ বিষয়ে পঢ়িছিলো আৰু তেতিয়াই এই কলেজত পঢ়ি কলেজখন প্ৰতিষ্ঠা কৰোঁতে নিজৰ সকলো উচৰ্গা কৰা সেই মহান ব্যক্তিসকলৰ প্ৰতি মোৰ সামান্য নৈবেদ্য আগবঢ়াম বুলি ঠিৰাং কৰিছিলো। যিদৰে কণীৰ পৰা পোৱালি ওলাবলৈ চৰাইজনীয়ে কণীটোক বুকুৰ মাজত ভৰাই বুকুৰ উম দিব লাগিব, ঠিকসেইদৰে, ডিব্ৰুগড়ত এখন কলেজ প্ৰতিষ্ঠাৰ স্বপ্ন দেখি তাক বুকুৰ উমেৰে সতেজ কৰা ব্যক্তিজন কোন জানা? তেখেত হ'ল অশ্বিনীচৰণ চৌধুৰী। আজি কিছু বছৰৰ আগতে তেখেতৰ মৃত্যু হৈছে। আৰু জানা মানৱ, এই অশ্বিনীচৰণ চৌধুৰীয়ে কেৱল এখন কলেজৰ কথাই চিন্তা কৰা নাছিল, তেখেতেই ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপনৰ স্বপ্নও দেখিছিল। চৌধুৰীদেৱ জৰ্জ ইনষ্টিটিউট, বৰ্ত্তমান বাগ্মিবৰ নীলমনি ফুকন স্কুলৰ শিক্ষক আছিল। এই স্কুলৰ চ'ৰাঘৰতেই এদিন তেওঁৰ স্বপ্নৰ কলেজখনৰ কথা কৈছিল। বহুতেই কথাষাৰ পাতলাই দিছিল। কিন্তু তেওঁ নিজৰ মনোবল অটুট ৰাখি কেইজনমান মাত্ৰ উদ্যোগী সহযোগীৰ সৈতে ১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় চহৰত উচ্চ শিক্ষাৰ বীজটো ৰোপণ কৰিলে। আৰু আমাৰ সৌভাগ্য কি জানা মানৱ, এই কলেজখনৰ প্ৰথমজন অধ্যক্ষ আছিল আধুনিক যুগৰ ঋষি, প্ৰাচ্যতত্ত্ববিদ ড° যোগীৰাজ বসু। এজোপা গছৰ বৃদ্ধিৰ বাবে প্ৰয়োজন প্ৰচুৰ সাৰ-পানীৰ। উচ্চশিক্ষাৰ এই ৰোপিত বীজটোৰ দ্ৰুত বৃদ্ধিত প্ৰচুৰ সাৰ-পানী যোগাইছিল ড° যোগীৰাজ বসু আৰু লক্ষী প্ৰসাদ দত্তদেৱে। এই দুজনা ব্যক্তিৰ সবল নেতৃত্বত কলেজখনে লাভ কৰিলে এক প্ৰচণ্ড গতিছন্দ। ১৯৪৫ চনতেই ডিব্ৰুগড় পৌৰসভাৰ পৰা এই মাটি ডোখৰ লাভ কৰে আৰু তাৰপাছত হনুমানবক্স কানৈ- এ এই সুবৃহৎ কলেজ ভৱনটো নিৰ্মাণ কৰি দিয়ে। কিন্তু কলেজখনৰ নাম আগৰ ডিব্ৰুগড় কলেজৰ ঠাইত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ হ'ল আৰু পাছত ইয়াৰ পৰাই লক্ষীপ্ৰসাদ দত্তৰ উদ্যোগত কানৈ বাণিজ্য কলেজ, মনোহাৰী দেৱী কানৈ ছোৱালী কলেজ আৰু কানৈ আইন মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। আৰু এটা কথা তুমি জানি থোৱা ভাল মানৱ, যে এই কলেজৰেই ১৯৬০ চনৰ ১৫ অক্টোবৰত বহা গৱৰ্ণিং বডিৰ সভাত ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হয় আৰু ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনো হয়। ইয়াৰ লগে লগেই অশ্বিনীচৰণ চৌধুৰীৰ স্বপ্নই দিঠকত ভুমুকি মাৰে আৰু ডিব্ৰুগড় হৈ পৰে অসমৰ উচ্চ শিক্ষাৰ জগতত এটা প্ৰাতঃস্মৰণীয় নাম। কিন্তু অতি দুখৰ কথা কি জানা, আমাৰ কলেজত ড° যোগীৰাজ বসু আৰু লক্ষীপ্ৰসাদ দত্ত সোঁৱৰণী স্মাৰক বক্তৃতা প্ৰত্যেক বছৰেই আয়োজন কৰা হয়। ই এটা ভাল কথা। কাৰণ অন্ততঃ এই দুটা দিনত এই কলেজখনৰেই দুটা মুকুতাক

স্মৰণ কৰা হয়। কিন্তু দুখৰ কথা হ'ল যে, কলেজখনৰ বীজটো বুকুত গুজি থৈ ইয়াৰ প্ৰসৱ বেদনাত জৰ্জৰ হোৱা অশ্বিনীচৰণ চৌধুৰীৰ মৃত্যুৰ পাছতো এই কলেজখনত তেওঁৰ স্মৃতিত একো এটা হৈ উঠা নাই। সময় কুটিল গতিত অশ্বিনীচৰণ চৌধুৰী হৈ পৰিল এটা পাহৰি যোৱা নাম। কথাটো ভাবিলেই হৃদয়ৰ নিভৃত কোণত একগভীৰ বেদনা অনুভৱ কৰোঁ।

ঃ শশাংক দা। আমি কেৱল এইখন কলেজত পঢ়িছোহে। কিন্তু ইয়াৰ গৌৰবময় অতীতৰ কথা আমি একোৱেই নাজানোঁ। সঁচাকৈয়ে শশাংক দা, কেইজনমান ব্যক্তিৰ হাতৰ আঙুলিৰ সু-কোমল সাঁচত গঢ় লোৱা এই কলেজখনৰ প্ৰতি বৰ বেলেগ অন্তৰংগতা অনুভৱ কৰিছোঁ।

ঃ ইয়াৰ অতীতৰ কথাই তোমাক কোৱা নাই। এইখন কলেজতেই অসমৰ বহুকেইজন প্ৰথিতযশা ব্যক্তিয়ে তেওঁলোকৰ জ্ঞানৰ আলোক ছটিয়াইছিল। এইসকলৰ ভিতৰত কবি যতীন্দ্ৰনাথ দুৱৰা, বেণুধৰ ৰাজখোৱা, ড° মহেন্দ্ৰ বৰা, তফজ্জুল আলি, যতীন্দ্ৰনাথ গোস্বামী, উপেন্দ্ৰনাথ শৰ্মা, উপেন্দ্ৰনাথ গোস্বামী, উপেন লেখাৰু, গোলোক চন্দ্ৰ গোস্বামী, ড° প্ৰিয়াশু প্ৰৱল উপাধ্যায় আছিল এই কলেজৰ এসময়ৰ শিক্ষক ধ্ৰুৱতৰা। কেতিয়াবা এই কথাবোৰ ভাবিলে এক প্ৰশান্তি লাভ কৰোঁ মানৱ।

ঃ কিন্তু, বৰ্ত্তমান যেন কলেজখনে প্ৰাণ চপলতাহেৰুৱাই পেলাইছে; তেনে নালাগেনে শশাংকদা?

ঃ ওহোঁ নহয়। হয়তো আগৰ তুলনাত কিছু হেৰুৱাইছে। কিন্তু একেবাৰে হেৰুৱা নাই। আচল কথাটো হ'ল দৃষ্টিভঙ্গী। তুমি কেনেকৈ চাইছা বা গ্ৰহণ কৰিছা। চাব জানিলে বা গ্ৰহণ কৰিব জানিলে এতিয়াও কলেজখনত পাবা এক প্ৰেৰণাদায়ক জীৱনী শক্তি। বাৰু এতিয়া উভতো ব'লা। ঠাণ্ডাও বেছি হৈ আহিছে।

ঃ বলক তেনেহ'লে।

(৩)

কলেজৰ সম্মুখৰ পৰা ঘূৰি অহাৰ পাছত মানৱ শুবলৈ গ'ল। মই কিন্তু ৰুমৰ ভিতৰলৈ যাব নোৱাৰিলো। পুনৰ বাৰাণ্ডাত বহিলো। ৰাতিৰ অন্ধকাৰবোৰ ফালি ৰেলৱে ৱৰ্কছপত মৰা দুই বজাৰ ঘন্টাটো ভাহি আহি মোৰ কাণত পৰিল। ক্ৰমশঃ কুঁৱলীবোৰ ডাঠ হৈ আহিবলৈ ধৰিলে। সম্মুখৰ পথাৰখন লাহে লাহে যেন আৱৰি ধৰিছে এখন ডাঠ বগা আৱৰণে। গছবোৰৰ পাতৰ পৰা সৰি পৰা নিয়ৰ কণিকাবোৰৰ টপ্ টপ্ শব্দই পৰিবেশটোক কৰি তুলিছে অধিক ৰহস্যময়। কেশৱ মহন্তৰ "আঘোণৰ কুঁৱলী" কবিতাৰ দুটামান শাৰী স্বতঃস্ফুট ভাবে মুখৰ পৰা ওলাই আহিল ----

"আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,
একোকে নমনি
কুঁৱলী নথকা হ'লে দেখিলো হেতেঁন বা
পতা-সোণ বৰণীয়া ধানৰ আঁচল
দেখিলো হেতেঁন বা লিহিৰি লিহিৰি ঢেৰ
আঙুলিয়ে মুঠি মৰা
কেচ্ কেচ্ চিকমিক খৰ কাচিবোৰ।"

হয়। ঠিক এনে এক কুঁৱলীৰে আবৃত্ত ধূসৰ ৰাতিপুৱা এটাতেই মই ঘৰৰ পৰা ডিব্ৰুগড়লৈ প্ৰথম আহিছিলোঁ। ঘৰৰ পৰা ওলাই আহোঁতে মা আৰু বাইদেউ কেইজনীৰ সিক্ত চকু কেইটা দেখি মোৰো মনটো এক অবুজ বেদনাই হেঁচা মৰি ধৰিছিল। বাটৰ কেকুৰিটোৰ পৰা উভতি চাই দেখিছিলো ঘৰৰ মানুহবোৰে তেতিয়াও মোৰফালে একে থৰে চাই আছিল। তেওঁলোকৰ সেমেকা চকুৰ মাজতেই মই দেখা পাইছিলো স্বপ্নাবিষ্টত ভৱিষ্যতৰ এখন ছবি। মই তেওঁলোকলৈ বেছি সময় চাই থাকিব নোৱাৰিলোঁ। মোৰ লগত মোক নিবৰ বাবেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি থকা ককাইদেউ এজন আহিছিল। তেওঁ বাটত মোক কিবাকিবি কৈছিল যদিও মোৰ কাণত একোৱেই সোমোৱা নাছিল। মাজে মাজে মাত্ৰ সৌজন্যতাৰ খাতিৰত দুই এটা কথাত হয়ভৰ দিছিলোঁ।

অলপ পাছত আমি বাগানৰ গেট পালোহি। ইয়াতেই বাছ ৰখায়। প্ৰথমে আমি তিনিচুকীয়ালৈ যাব লাগিব। তাৰ পাছতহে ডিব্ৰুগড়লৈ বাছ পাম। বাগানৰ গেটৰ মুখত মোৰ বৰ মৰমৰ বাল্যবন্ধু ধুনমণি আৰু বাবাটোও ৰৈ আছিল। কিছুসময়ৰ পাছত বাছ আহিল। মই বস্তু-বাহানি তুলি সিহঁত দুটাৰ পৰা বিদায় লৈ খিৰিকিৰ কাষৰ চিট এটাত বহি ল'লো। বাছখন চাহ বাগানবোৰৰ মাজে মাজে দ্ৰুত গতিত আগবাঢ়িছিল। মই তন্ময় হৈ বাহিৰলৈ চাই আছিলোঁ। মনতো এক বিক্ষিপ্ত অনুভূতিয়ে ক্ৰিয়া কৰিছিল। মই ঘৰখনৰ এটাই ল'ৰা। মা-দেউতা আৰু তিনিজনী বাইদেউৰ ছত্ৰছাঁয়াত মৰম আকলুৱা মোৰ বাবে ঘৰৰ পৰা দূৰলৈ অহাটো বৰ বেদনাদায়ক। এফালে ঘৰখন এৰি অহাৰ বেদনা আৰু আনফালে এখন নতুন জগতত নতুনকৈ জীৱনক আৱিস্কাৰৰ প্ৰৱল

তাৰণা। এহাতে অতীতৰ মধুৰ স্মৃতি আৰু আনফালে অনাগত দিনৰ স্বপ্ন। ক্রমশঃ এই দুই অনুভূতিৰ দ্বন্দ্বই মোক অধিক ক্রিয়া কৰিব ধৰিছিল। মই চকু দুটা সজোৰে মুদি দিবলৈ যত্ন কৰিছিলোঁ। তথাপি মোৰ মনোজগতৰ মাজত অনুভৱ কৰিছিলো এক তীব্ৰ দ্বন্দ্ব; স্বপ্ন আৰু স্মৃতিৰ।

(৪)

"নিতুমণি দা, অ নিতুমণি দা, ঘৰত আছেনে?" এইবুলি মাতি মোৰ লগত অহা ককাইদেউজন ভিতৰলৈ সোমাই গৈছিল। অলপ পাছত ভিতৰৰ পৰা ওখ খীন ডেকা ল'ৰা এজন ওলাই আহিছিল আৰু কৈছিল --"অ তুমি আহিলা, আহা আহা বহা।"

ঃ নিতুমণি দা কওকচোন খবৰ খাতি কেনে?

ঃ আছো আৰু বুজিছা, নমৰি জীয়াই। হেৰি নহয়,এওঁক চিনি পোৱা নাই।

ঃ অ, কেলৈ মই যে কৈছিলো ভাইটি এটা কানৈ কলেজত পঢ়িবলৈ আহিব আৰু আপোনালোকৰ ৰূমটোতে থাকিব বুলি। এইটোৱেই মোৰ ভাইটি শশাংক, শশাংক খনিকৰ।

মই থিয় হৈ নমস্কাৰ জনাইছিলোঁ। নিতুমণিদায়ো প্ৰতি নমস্কাৰ জনাইছিল। নিতুমণি দাৰ লগত কিছু সময় কথা পতাৰ পাছত এক গভীৰ আত্মীয়তা অনুভৱ কৰিছিলোঁ। অলপ পাছতেই নিতুমণিদাৰ মাক- দেউতাক ওলাই আহিছিল। তেওঁলোকৰ মৰমীয়াল মুখ দুখন দেখি ক'ব নোৱাৰাকৈয়ে মোৰ মুখৰ পৰা স্বতঃস্ফূট ভাবে বৰদেউতা-বৰমা শব্দ দুটা ওলাই আহিছিল। তেওঁলোকে মোক ৰূমটো দেখুৱাই দিয়াৰ পাছত মোৰ ৰূমৰ বস্তু-বাহানিবোৰ থৈ ককাইদেউজন যাবৰ সময়ত বৰদেউতা - বৰমাক কৈছিল - "ই ঘৰৰ এটা ল'ৰা, সেয়ে ঘৰৰ বান্ধোনৰ মাজত থকা। এতিয়া পিঞ্জৰাৰ পৰা মুক্তি পাই উৰিবলৈ যত্ন কৰিব। গতিকে মাজে সময়ে পাখি কাটি থাকিব।"

সচাঁকৈয়ে যোৱা তিনিটা বছৰত বৰদেউতা-বৰমাৰ পৰা কিমানযে গালি নাখালোঁ। আচলতে মই প্ৰায়েই ৰাতিপুৱাই ৰূমৰ পৰা ওলাই যাওঁ আৰু একেবাৰে ৰাতিহে উভতি আহোঁ বা কেতিয়াবা নাহোঁৱেই। মোৰ এনে স্বভাৱৰ বাবে বিশেষকৈ বৰমাই কিমান দিন যে গালি দিছিল। সেইদৰে নিতুমণি দায়ো ভাতৃত্বসুলভ ভাবে কেতিয়াবা বুজাইছিল, কেতিয়াবা গালিও পাৰিছিল। তথাপিও অৱশ্যে মোৰ স্বভাৱৰ পৰিবৰ্ত্তন হোৱা নাছিল।

সি যিকি নহওক, প্ৰথম দিনা ককাইদেউ যোৱাৰ পাছত ৰূমটো ঠিক ঠাক কৰি বিচনাত দীঘল দি পৰিছিলো। ক্ৰমশঃ যিমানেই গধূলি হৈ আহিছিল, মনটো সিমানেই ৰিঙা ৰিঙা লাগি আহিব ধৰিছিল। ঘৰৰ মানুহবোৰৰ মুখবোৰ চকুৰ আগত ভাহি উঠিছিল। বৰ অকলশৰীয়া অনুভৱ কৰিছিলো। চিঞৰি চিঞৰি কান্দি দিবৰ মন গৈছিল মোৰ। কাষৰ ৰূমটোত থকা মোতকৈ জুনিয়ৰ ল'ৰা দুটাও নাছিল। অলপ পাছত মোৰ ৰূমৰ দুৱাৰত টুকুৰ পৰাত খুলি চাই দেখিলো দুটা অচিনাকি ল'ৰা। সিহঁতে পৰিচয় দি কৈছিল যে সিহঁত কাষৰ ৰূমটোতে থাকে। প্ৰথমে সোমাই অহাজনে কৈছিল - "মোৰ নাম মানৱ মৰাণ। কানৈ কলেজত হায়াৰ চেকেণ্ডাৰী ছেকেণ্ডইয়াৰত পঢ়োঁ। আপুনি অহা বুলি নিতুমণিদাই কোৱাত চিনাকি হওঁ বুলি সোমালো। বাৰু ..."

-"ঐ ৰহ"। ইজন ল'ৰাই মাজতে চিঞৰি কৈছিল, তয়েই অকল কৈ থাকিবি নেকি? মোকো ক'বলৈ দে আক। হেৰি মোৰ নাম সঞ্জীৱ কলিতা। চিটি কলেজত হায়াৰ চেকেণ্ডেৰী ছেকেণ্ডইয়াৰতে পঢ়োঁ। বাৰু, আপোনাৰ নামটো জানিব পাৰিম নে?

ঃ অ, নিশ্চয়। মোৰ নাম শশাংক, শশাংক খনিকৰ। তিনিচুকীয়াত ঘৰ।

ঃ শশাংক দা, এই কলিতাক নাম ধৰি নামাতিলেও হ'ব। ইয়াক টিপচী বুলি মাতিব। তেতিয়াহে ই ভাল পায়। আৰু কি জানে? ইয়াক ৰাতিপুৱা আপুনি যিমানেই চিঞৰি থাওক সাৰ নাপায়। কিন্তু নিতুমণি দাৰ ওচৰত টিউচন কৰিবলৈ অহা ছোৱালীৰ চাইকেল ষ্টেণ্ড কৰা শব্দ শুনিলেই একে জাপেই বিচনাৰ পৰা উঠি আগফালে হাজিৰ।

ঃ ঐ, ঐ মানৱ, তই এই মিছা কথাবোৰ কৈ ভাল কৰা নাই কিন্তু। মই তোৰ সব কথা কৈ দিম দেই। ৰাতিপুৱা ন-বজাৰ আগে আগে ক'লৈ যাৱ কি কৰ সব।

ল'ৰা দুটাৰ শিশু সুলভ ধেমালিয়ে মোক এক সকাহ প্ৰদান কৰিছিল। এনেতে নিতুমণি দা ৰূমটোলৈ সোমাই আহিছিল। নিতুমণি দাক দেখি মই বহাৰ পৰা উঠি চকী খন আগবঢ়াই দি কৈছিলোঁ - "অ নিতুমনি দা আহক আহক।"

নিতুমণি দাই মানৱ আৰু কলিতালৈ চাই কৈছিল - "কি হ'ল, এওঁক কি ৰেগিং কৰিছা নেকি?"

ঃ নাই নাই নিতুমণি দা, আমাক কি ইমান বেয়া ল'ৰা বুলি

ভাবিছে নেকি?

ঃ কলিতা তুমিতো বেয়া ল'ৰা নহয় বুলি মই জানোৱেই। হয়নে নহয়?

ঃ আপুনিও মোক তেনেকৈ ক'লে ন নিতুমণি দা?

ঃ বাৰু বাদ দিয়া সেইবোৰ, শশাংক, তোমালোকৰ ক্লাছ কেতিয়াৰ পৰা হ'ব ?

ঃ কালিলৈৰ পৰা।

ঃ অ, অথনি সোধাই নহ'ল নহয়। মেজৰ কিহত ল'ম বুলি ভাবিছা।

ঃ ইংলিছত।

ঃ ভাল কথা। মেজৰৰ ক্লাছবোৰটো দুদিনমানৰ পাছতহে হ'ব। আৰু এটা কথা শশাংক। এইখন কলেজত ময়ো পঢ়িছিলোঁ। সেয়ে মোৰ অভিজ্ঞতাৰ পৰা তোমাক কৈছোঁ যে এই কানৈ কলেজত তুমি সমান্তৰাল ভাবে দুটা শক্তি পাবা। এটা পোহৰ আৰু আনটো আন্ধাৰ। এটা শুভ আৰু আনটো অশুভ। তুমিটো ইয়াত পোহৰৰ সন্ধান বিচাৰি আহিছা। গতিকে সদায় আলোকিত দিশবোৰলৈ ধাৱিত হ'বা। সেই পণ্ডিত দুজন, এইকেইটা কথা তোমালোককো কৈছোঁ। কলিতা ডাঙৰীয়া, আপুনি চিটী কলেজত পঢ়িলেও তাতো একেই কথা, সকলো কলেজতেই এই দুইটা শক্তি বিৰাজমান। আচলতে জানা, প্ৰত্যেকটো বস্তুৰেই শুভ আৰু অশুভ দুটা দিশ থাকে। আনকি প্ৰত্যেক মানুহৰেই। মাত্ৰ প্ৰয়োজন আমি কোনটো দিশ গ্ৰহণ কৰিবলৈ আৰু অনুশীলন কৰিবলৈ যত্ন কৰিছোঁ। আৰু শশাংক তুমিতো সাহিত্যৰ ছাত্ৰ হ'বা, গতিকে তুমি শুভ শক্তিটোক চিনাক্ত কৰিব পাৰিব লাগিব আৰু তাক গ্ৰহণ কৰিবও জানিব লাগিব। বহুত কথাই কৈ দিলো। আচলতে মাষ্টৰী কৰো যে মানুহ পালেই এনেবোৰ কথা ক'বলৈ মন যায়। বাৰু শশাংক, মই তোমাৰ ৰুমলৈ আহিছিলো এইটো ক'বলৈ যে তুমি আজি আহিছাহে। গতিকে ভাত-তাত ৰান্ধিব নালাগে। আমাৰ তাতেই খাবা। আৰু হেৰা মানৱ আৰু কলিতা তোমালোকো যাবা। শশাংকৰ নামতেই খানা এটাকেই হৈ যাওক।

ঃ আৰে হয় নেকি? বঢ়িয়া কথা। ঐ মানৱ, নিতুমণি দাক সেই কাৰণেই ভাল লাগে অ' ইমান মৰমীয়াল।

ঃ হ'ব হ'ব, তেল বহুত হ'ল। তোমালোকৰ সেই তুলসীৰ লগতে কলপটুৱাৰ মুক্তি। শশাংক যাবা দেই।

ঃ হ'ব বাৰু নিতুমণি দা।

(৫)

তৃষ্ণা; এক গভীৰ তৃষ্ণা। এই তৃষ্ণাত তৃষ্ণাতুৰ হৈ আহি পাইছিলোৱেই কানৈ কলেজৰ গেট। হাতৰ ঘড়ীটোলৈ চালো দহটালৈ তেতিয়াও পোন্ধৰ মিনিট আছিল। ভয় আৰু সংকোচেৰে লাহে লাহে কলেজৰ চৌহদত সোমাইছিলোঁ। কাৰণ আগদিনাই নিতুমণি দা আৰু মানৱে ৰেগিঙৰ কথা কৈ থৈছিল। বহুতো ল'ৰা-ছোৱালীৰ জাকৰ মাজে মাজে কলেজৰ বাৰাণ্ডাত উঠিছিলোগৈ। ক্লাছ আছিল দুই নম্বৰ ৰুমত। কিন্তু সমস্যাটো হ'ল মইযে কলেজৰ ৰুমবোৰ চিনি নাপাওঁ। কলেজখনৰ কাকোৱেই চিনি নাপাওঁ যদিও এনেয়ে চাৰিওফালে চকু ফুৰালোঁ। কিজানিবা কাৰোবাক দেখোৱেই। হঠাৎ অলপ দূৰত দেউতাৰ লগত এডমিছন ল'বলৈ আহোঁতে চিনাকি হোৱা হিমেনক দুটা ল'ৰাৰ লগত কথা পাতি ৰৈ থকা দেখিছিলো। মনত অকণমান তেতিয়া সকাহ লাভ কৰিছিলো। তাক দেখি মই আগবাঢ়ি গৈছিলো। সিও মোক দেখি আগবাঢ়ি আহি কৈছিল -- "আৰে, শশাংক নহয়নে? কেতিয়া পালাহি?"

ঃ কালিয়েই পালোহি হিমেন। ভাল আছাতো?

ঃ আছো আৰু, অ', এওঁলোকৰ লগত চিনাকি কৰি দিয়া নাই নহয়। এয়া জীৱন দা, জীৱন গগৈ। আমাৰ কলেজৰেই থাৰ্ড ইয়াৰত পঢ়ে। আমাৰ গোটেই কলেজৰেই দাদা। জীৱনদাৰ লগত ভালে থাকিলে কোনো চিন্তা নাই আৰু। জীৱনদা, এওঁ শশাংক খনিকৰ। তিনিচুকীয়াৰ পৰা আহিছে। আৰু শশাংক, এয়া মৃন্ময় বৰুৱা। ইয়াতেই ঘৰ। স্কুলত একেলগে পঢ়া। হায়াৰ চেকেণ্ডেৰীৰ পৰা এই কলেজতে পঢ়া।

তেনেতে দহটা বজাৰ ঘন্টা পৰিছিল। আমি জীৱন দাৰ পৰা বিদায় লৈ ক্লাছলৈ গৈছিলোঁ। জীৱনদাৰ ভদ্ৰ ব্যৱহাৰে মোক বৰকৈ মোহিত কৰিছিল। ক্লাছত সোমায়েই ৰুমটোলৈ চকু ফুৰাইছিলো। বৰ বেছি ল'ৰা-ছোৱালী নাছিল। কিন্তু যি কেইটা আছিল, তাৰ প্ৰত্যেকৰেই চকুত দেখিলো তৃষ্ণা। অৰ্থাৎ এওঁলোকো মোৰ দৰেই তৃষ্ণাতুৰ। তেনেতে পিছফালে বহি থকা ল'ৰা জাকৰ মাজৰ পৰা মৃন্ময়ক কোনোবা এজনে চিঞৰি কৈছিল --"অই, মৃন্ময়।"

ঃ অ, জয়ন্ত দাহঁত দেখোন, বহু দিনৰ মূৰত, ভালনে?

ঃ বাদ দিয়া সেইবোৰ। বৰ টাটকা মুৰ্গী দুটা লগত লৈ আহিছা। পঠিয়াই দিয়া এইফালে।

ঃ হ'ব জয়ন্ত দা। ক্লাছেই হ'বৰ হ'ল এতিয়া।

ঃ নাই নাই, সেই ব্রইলাৰটোকে প্ৰথম পঠিয়াই দিয়া।

মৃন্ময়ৰ বহুতো হকা-বাধাৰ পাছতো মই তেওঁলোকৰ ওচৰলৈ যাবলৈ বাধ্য হৈছিলোঁ। মৃন্ময়ো লগত গৈছিল। কিন্তু অতি ভদ্ৰ ভাবে দুটামান প্ৰশ্ন সোধাৰ পাছত মোক যাবলৈ কৈছিল। যাবৰ সময়ত জয়ন্ত দা বোলাজনে মোক কৈছিল --"ভাইটি, আমি থাৰ্ড ইয়াৰৰ ছাত্ৰ। আমি আৰু এবছৰৰ পাছতেই এই কলেজৰ পৰা ওলাই যাম। আগৰ পৰাই আমি নতুনকৈ অহা ল'ৰা-ছোৱালীবোৰৰ লগত চিনাকি হওঁ। কিন্তু ভদ্ৰ ভাবে কেৱল ক'ৰ পৰা আহিছে, নাম কি, কি পঢ়িব তাকহে সোধোঁ। তোমালোকক যদি কোনোবাই কিবা বেয়াকৈ কয় আমাক জনাবা। আমি থকালৈকে এই কলেজত ৰেগিঙৰ নামত হোৱা অভদ্ৰ আচৰণ যিমানেই পাৰো বন্ধ কৰিবলৈ যত্ন কৰি আছোঁ। আৰু আমাৰ পাছত তোমালোকেও এই কথাটোৰ ওপৰত গুৰুত্ব দিবা। এতিয়া যোৱা। আমাক বেয়া নাপাবা আকৌ।"

অলপ পাছত বয়সস্থ চাৰ এজন আমাৰ ক্লাছলৈ সোমাই আহিছিল। ইংৰাজীৰ ক্লাছ আছিল। মৃন্ময়ে কাণে কাণে কৈছিল যে ইংৰাজী বিভাগৰ হেড সিঙ চাৰ। ক্লাছটোত চাৰে আমাক একো নপঢ়াই আমাৰ বিষয়ে কিবা কিবি সুধিছিল। ক্লাছটো কৰি থাকোঁতে মাথো মোৰ মনলৈ কলেজলৈ আহিয়েই লগ পোৱা চিনিয়ৰ ল'ৰা কেইজনৰ সাধু আচৰণৰ কথাই আহি আছিল।

ক্লাছটোৰ পৰা ছাৰ ওলাই যোৱাৰ পাছত আমি কলেজৰ ওপৰ মহলালৈ উঠি গৈছিলোঁ। বাটটে মৃন্ময়ে আৰু এজন ল'ৰাৰ লগত চিনাকি কৰি দিছিল। তেওঁৰ নাম আছিল কবীৰ দত্ত, মদাৰখাটিত ঘৰ। ল'ৰাজনৰ লগত চিনাকি হৈ ভাল লাগিল। বৰ ফ্ৰি। মৃন্ময়, হিমেন, কবীৰ আৰু মই ওপৰৰ নটিচ বৰ্ডখনত চকু ফুৰাই অফিছ ৰুমৰ সিফালে থকা কলেজৰ পুৰণি কমনৰুমত সোমাইছিলোগৈ। তাত সোমাই ইংৰাজীৰ হেড সিঙ চাৰক লগ কৰিছিলোগৈ। বৰ মৰমীয়াল চাৰজন। মানুহজন অনা-অসমীয়া। সেয়ে হিন্দীতেই আমাৰ লগত কথা পাতিছিল। আমিও হিন্দী আৰু অসমীয়াৰ এটা খিচিৰী ভাষাৰে চাৰৰ কথাবোৰ উত্তৰ দি গৈছিলো।

সি যি নহওক, চাৰৰ হাতত ইংৰাজী বিভাগত মেজৰৰ বাবে কৰা এপ্লিকেইচন কেইখন দিয়াত ছাৰে আমাক দুদিনমানৰ পাছত হ'ব লগা টেষ্টত উপস্থিত থাকিবলৈ কৈছিল। ছাৰৰ ওচৰৰ পৰা উভতি আহোঁতে মনত এক পুলক অনুভৱ কৰিছিলোঁ। কাৰণ এইজন মৰমীয়াল ছাৰৰ তলতেই আমি শিক্ষা লম। চাৰে আমাক কৈছিল যে আমাৰ বহুতৰেই মাক -দেউতাকক চাৰে পঢ়ুৱাইছিল। সচাঁকৈয়ে মোৰ দেউতাকো এই কলেজত চাৰে পঢ়ুৱাইছিল। সেয়ে আমি চাৰৰ নাতি ছাত্ৰৰ দৰে। সঁচাকৈয়ে চাৰৰ লগত আমাৰ সম্পৰ্ক আছিল ককা নাতিয়েকৰ সম্পৰ্কৰ দৰে।

কমনৰুমৰ পৰা ওলাই আহি কলেজৰ ওপৰ মহলৰ সুবৃহৎ বাৰাণ্ডাখনৰ অলপ দূৰত মোৰ চিনাকি জলীক দেখিলো। তাইৰ লগত মোৰ বহু আগৰ চিনাকি। বৰ ঠাণ্ডা ছোৱালী, চিৰিয়াচো। তাইক দেখি মই আগবাঢ়ি গৈছিলো। মৃন্ময়, কবীৰহঁতেও কাৰোবাক লগ পাই ৰৈ গৈছিল। বহুদিনৰ মূৰত জলীক লগ পাই ভাল লাগিল। তায়ো ইংলিছতেই মেজৰ ল'ব বুলি কৈছিল। তাইৰ লগত থকা ছোৱালী দুজনীৰ লগত মোক চিনাকি কৰি দিছিল। এজনীৰ নাম অংকিতা দাস আৰু আনজনীৰ নাম ময়ূৰী গগৈ। সিহঁতৰ লগত কথা পাতি থাকোঁতেই আমাক কেইটামান ল'ৰাই আগুৰি ধৰিছিলহি। তাৰ পাছত সিহঁতে আমাক জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন সুধিব ধৰিছিল। প্ৰথম অৱস্থাত সিহঁতে ভদ্ৰ ভাবেই কথাবোৰ সুধিছিল। কিন্তু পাছলৈ সিহঁতে ক্ৰমশঃ শ্লীলতাৰ সীমা চেৰাই গৈছিল। এজনে মোক উদ্দেশ্য কৰি কৈছিল -- "হেৰা ভাইটি, তুমি প্ৰথম দিনাই আহি ছোৱালী এগালৰ মাজত সোমাই এনেকৈ আছা যে। নিজকে কি কৃষ্ণ বুলি ভাবিছা নেকি?"

ল'ৰাজনৰ কথাত মই অধিক অস্থিৰ হৈ পৰিলো। মই প্ৰায় খঙেৰে তেওঁক কৈছিলো- "চাওক দাদাহঁত, কোনো লগৰ ছোৱালীৰ লগত কথা পতাটো একো দোষণীয় নহয়। আজি একবিংশ শতিকালৈ বেছি দূৰ নাই। গতিকে আপোনালোকৰ দৰে এচামলোকৰ এই উদ্ভট চিন্তাবোৰ পৰিহাৰ কৰা ভাল হ'ব নেকি?"

কথা কেইষাৰ কৈ পেলোৱাৰ পাছতহে মই অনুভৱ কৰিছিলোঁ যে কথাষাৰ মই বৰ বেছি টানকৈ ক'লো নেকি? নকৈও উপায় নাছিল। কিন্তু আচৰিত ধৰণে ইমান টানকৈ কোৱাৰ পাছতো সিহঁতে একো নকৈ লাহে লাহে আতঁৰিহে গৈছিল। তেতিয়া মই মোৰ কথাত অপমানিত হৈ সিহঁত আঁতৰি গ'ল বুলি এক গৰ্ব অনুভৱ কৰিছিলোঁ। পিছে পাছ মুহূৰ্ততে মোৰ কান্ধত হাতথৈ

যেতিয়া জীৱনদাই মাতিলেহি তেতিয়াহে ল'ৰা কেইটা আঁতৰি যোৱাৰ প্ৰকৃত সত্যটো আবিস্কাৰ কৰিব পাৰিছিলোঁ। সচাঁই জীৱনদা আছিল কলেজখনৰেই দাদা। জীৱনদাৰ লগত জলী, অংকিতা, ময়ূৰীহঁতক চিনাকি কৰি দিছিলোঁ। জীৱনদাই আমাক তলত কলেজ কেণ্টিনত চাহ খাবলৈ লগ ধৰিলে। আমিও জীৱনদাৰ পাছে পাছেই আগবাঢ়িছিলোঁ।

এইযে কলেজ কেণ্টিনখন। ইয়াৰ লগত যোৱা তিনিটা বছৰৰ মোৰ বহুতো স্মৃতি জড়িত হৈ আছে। এই কেণ্টিনখন আছিল আমাৰ এটা প্ৰধান আড্ডাগৃহ। আৰু এই কেণ্টিনখন চলোৱা বাইদেউজনী যে কেতিয়াও পাহৰিব নোৱাৰোঁ। ইমান মৰমীয়াল আছিল। কোনো ল'ৰা-ছোৱালীকেই তেওঁ তুমি বুলি কোৱা নাছিল। চব তই। কিমান ল'ৰাই যে বাইদেউৰ কেণ্টিনত বাকী খাই পইছা নিদিয়াকে আছে। কলেজ কেণ্টিনৰ কিন্তু বস্তুবোৰ খাবলৈ একেবাৰেই ভাল নাছিল। কেতিয়াবা মটৰ নিসিজেই, কেতিয়াবা ৰুটি একেবাৰে লিকটিয়া হৈ থাকে, কেতিয়াবা আকৌ আলু চপত নিমখেই নাথাকে। তথাপিও আমি সদায় আহোঁ কেণ্টিনলৈ। একমাত্ৰ বাইদেউৰ মৰমৰ তাড়নাত। আচলতে কলেজ কেণ্টিনখনে কলেজখনক প্ৰদান কৰি আছিল এক সজীৱতা। যিটো আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো।

(৬)

বাহিৰত ঠাণ্ডাটো ক্ৰমশঃ বাঢ়ি আহিব ধৰিলে। কিন্তু ভিতৰলৈ যাবলৈও মন যোৱা নাই। আজি গোটেই ৰাতিটো চোতালত বহি উপভোগ কৰিম। কুঁৱলী আগতকৈ ডাঠ হৈ আহিছিল। সন্মুখত একোকেই নেদেখা হ'ল। কিন্তু মোৰ চকুৰ আগেদি পাৰ হৈ গৈছে যোৱা তিনিটা বছৰৰ বহুতো নষ্টালজিক স্মৃতি। মনটো অধিক ৰোমান্সিত হৈ আহিব ধৰিলে।

হয়। ঠিক এনে এক ৰোমান্সিত মন লৈয়ে প্ৰথম দিনাখন মেজৰৰ ক্লাছ কৰিবলৈ গৈছিলো। এফালে ইংৰাজীত মেজৰ লোৱা বুলি শুনি বহুজনৰ সতৰ্কবাণী, আনকি দুই এজনে কৈছিল যে ইংৰাজীত মেজৰ লোৱা মানে জানি শুনি একুৰা জ্বলা জুইত জপিয়াই পৰা আৰু আনফালে আনে যদি পাৰে মই নোৱাৰিম কিয়। এই গভীৰ আত্মবিশ্বাস। এই দুই অনুভূতিৰ এক দুদোল্য মান অৱস্থাত মেজৰ ৰূমটোলৈ সোমাই গৈছিলোঁ। কিন্তু মেজৰৰ ৰূমটোত বহি থকা আমাতকৈ এবছৰ ছিনিয়ৰ ল'ৰা এজনে ইয়াত তোমালোকৰ ক্লাছ নহয়, ছয় নম্বৰ ৰূমত হ'ব। কিনো বাৰে বাৰে ডিষ্টাৰ্ব কৰি থাকো বুলি যি অভদ্ৰ আচৰণেৰে ক'লে, সি মোক চকিত কৰি গ'ল। মই বৰ আঘাত পালোঁ। আজি কিছুদিনৰ আগতে ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ দাদা এজন লগ পাওঁতে তেওঁ কৈছিল যে তেওঁলোকে হেনো ইউনিভাৰ্চিটিৰ ইংলিছ ডিপাৰ্টমেণ্টৰ ল'ৰা-ছোৱালীবোৰক ইংৰাজী বিভাগত পঢ়িছো বুলি ছিন্নমূল হৈ এক অহমিকা ভাবত থকাৰ বাবে U.B.I বুলিছিল। ইয়াৰ অৰ্থ হ'ল --Unfortunately Born in India.

সি যি হওক, আমাৰ ক্লাছবোৰ আৰম্ভ হ'বলৈ লৈছিল। মেজৰৰ দিনটোত থকা দুটা ক্লাছ প্ৰায়েই হৈছিল। কিন্তু প্ৰায়বোৰ মানুহেই কানৈ কলেজত ক্লাছ নহয় বুলি কোৱা কথাষাৰ যে মিছা তাক বুজিবলৈ আমাৰ বেছিদিন নালাগিছিল। আনকি মেজৰৰ উপৰিও পাছ কৰ্চৰ ক্লাছবোৰো নিয়মীয়াকৈয়ে হৈছিল। বৰঞ্চ আমিহে সেইবোৰ কৰিবলৈ ইচ্ছা কৰা নাছিলোঁ। প্ৰথম অৱস্থাত মেজৰৰ ক্লাছবোৰ বুজি পাবলৈ অসুবিধা পাইছিলোঁ। পাছলৈ লাহে লাহে বুজি পোৱা হৈ আহিব ধৰিছিলো আৰু তেতিয়া ক্লাছবোৰৰ ৰস আস্বাদন কৰিব পৰা হৈছিলোঁ। ডিপাৰ্টমেণ্টৰ হেড সিংঁ চাৰৰ ভিতৰৰ পৰা স্বতঃস্ফুট ভাবে ওলাই অহা কথাবোৰ বৰুৱা চাৰৰ মুখৰ পৰা অহৰহ নিগৰি অহা বিভিন্নজনৰ কটেচন, আহমেদ চাৰৰ সহৃদয় তথা চিৰ প্ৰস্ফুটিত মৰমীয়াল হাঁহিৰে কোৱা কথাবোৰ, চৌধুৰী চাৰৰ বন্ধুত্ব সুলভ ব্যৱহাৰ আৰু প্ৰত্যেকটো কথা বুজাওঁতে চকুৰ আগত থকা বস্তু এটাৰ লগত তুলনা কৰা আৰু মেজৰৰ তত্বগধুৰ চিৰিয়াছ লেকচাৰবোৰ; এই আটাইবোৰেই আমাক এক ভিন্ন স্বাদ প্ৰদান কৰিছিল। অৱশ্যে প্ৰথম অৱস্থাত মেডামে ব্যৱহাৰ কৰা জটিল উচ্চখাপৰ ইংৰাজীয়ে আমাক বাৰুকৈয়ে জুলুমত পেলাইছিল। আমাৰ লগৰ দুই এজনে সেয়ে ৰসিকতা কৰি কৈছিল যে, এটা কম্পিউটাৰ কিনি তাৰ মেমৰীত Chamber's dictionary খন সোমাৱাই মেডামৰ ক্লাছত কম্পিউটাৰটো বহুৱাই থ'ব লাগিব। যাতে মেডামে ব্যৱহাৰ কৰা প্ৰত্যেকটো শব্দৰ অৰ্থই লগে লগে পাব পাৰি।

সেইদৰে আৰু বহুকেইজন শিক্ষাগুৰুৱে আমাক আকৃষ্ট কৰিছিল। সেইসকলৰ ভিতৰত ফিলছফি ডিপাৰ্টমেণ্টৰ বৰুৱা মেডাম, বৰুৱা চাৰ আৰু কোঁৱৰ মেডাম, পলিটিকেল চাইন্সৰ বৰা চাৰ আৰু ভেংৰা চাৰৰ সহৃদয় তথা প্ৰত্যেকটো বস্তু সহজে বুজাই দিব পৰা গুণে আমাক মোহিত কৰিছিল।

শিক্ষক সকলৰ কথা মনলৈ আহোঁতে আৰু এটা কথা মনলৈ চাট কৈ আহি গ'ল। যিখন কানৈ কলেজত এই তিনিটা বছৰত যিদৰে বহুকেইজন সহৃদয় শ্ৰদ্ধেয় শিক্ষকৰ সান্নিধ্য পালোঁ, সেইখন কলেজতে পালো এনে এজন শিক্ষক যি ছাত্ৰৰ মনোযোগ আকৰ্ষণ কৰিব নোৱাৰে। বৰঞ্চ কেতিয়াবা এনে পৰিস্থিতি হয় যাৰ বাবে ছাত্ৰই শিক্ষকৰ প্ৰতি অনীহা প্ৰকাশ কৰিব লগা হয়। এনে মৃন্ময়ৰ ক্ষেত্ৰত। সেইবোৰ বহুত কথা মুঠতে শিক্ষকৰ সৈতে ঘটা এনে ঘটনাই মৃন্ময়ক বৰ আঘাত দিছিল।মৃন্ময়ে শিক্ষক-শিক্ষয়িত্ৰী পৰম শ্ৰদ্ধেয় বুলি ভাবি সকলো শিক্ষক-শিক্ষয়িত্ৰীকে শ্ৰদ্ধা কৰি আহিছে। আনকি এই শিক্ষকজনৰ চাৰীত্ৰিক অসাধুতাৰ কথা জানিও মৃন্ময়ে শিক্ষকজনক শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। অথচ মৃন্ময়ৰ প্ৰতি শিক্ষকজন ইমান ঈৰ্ষা পৰায়ণ কিয়? সি, যি কি নহওক ইয়াৰ পাছৰ পৰা কিন্তু সেই চাৰজনৰ প্ৰতি আমাৰ শ্ৰদ্ধা নাইকীয়া হৈ পৰিছিল আৰু আমাৰ বন্ধুমহলে অনৈতিকতাৰ বিৰুদ্ধে প্ৰতিবাদ হিচাবে চাৰৰ ক্লাছবোৰ ত্যাগ কৰিছিলো।

মৃন্ময়ে এই ঘটনাটোৰ পৰা শিক্ষা আহৰণ কৰি গভীৰ দাৰ্শনিকতাসুলভতাৰে আমাক কৈছিল ... "জীৱনত এনে সংঘাত আহেই। কিন্তু আচল কথাটো হ'ল এই সংঘাটবোৰক আমি কেনেকৈ গ্ৰহণ কৰিছোঁ। সংঘাতবোৰ গ্ৰহণ কৰিব জানিব লাগিব। সংঘাতবোৰক গ্ৰহণ কৰি তাক সৃষ্টিশীলতালৈ ৰূপান্তৰ কৰিব লাগিব। এতিয়া মই এই সংঘাতটোক সৃষ্টিশীলতালৈ পৰিৱৰ্তন কৰিম। তহঁতে চাবি এই ঘটনাটো এদিন মই মোৰ কোনো লেখাত সুমুৱাই এক নতুন ৰূপ দিম।"

মৃন্ময়ে পৈণত বয়সৰ এজন অভিজ্ঞ ব্যক্তিৰ দৰে আমাক আৰু কৈছিল ... "শুন ... ভবিষ্যতে যদি তহঁতে শিক্ষকতা কৰ - তেনেহ'লে শিক্ষকৰ প্ৰধান গুণ নিষ্ঠা, সমতা আৰু সাধুতাৰে সমৃদ্ধ নৈতিক চৰিত্ৰ সদায় অক্ষুন্ন ৰাখিবি। আৰু মনত ৰাখিবি - অনৈতিক চৰিত্ৰৰ বাবে যদি ছাত্ৰ-ছাত্ৰীৰ ঘৃণাৰ পাত্ৰ হৈ পৰে - তেনেহ'লে জানিবি শিক্ষক হিচাবে তাতকৈ বিফলতা আৰু একো নাই।"

এই ঘটনাটোৰ পাছত নিতুমণি দাই প্ৰথম দিনা কোৱা কথাটো বৰ অনুভৱ কৰিছিলো যে এই কলেজত শুভ আৰু অশুভ দুইটা দিশেই পাম। অৱশ্যে মই আজি অনুভৱ কৰিছো যে কানৈ কলেজত শুভ শক্তিৰ তুলনাত অশুভ শক্তি বহুত কম। কিন্তু কেতিয়াবা এই মুষ্টিমেয় অশুভ শক্তিটোৱে গা-কৰি উঠি কলেজখনৰ পৰিবেশটোৱেই পূতি গন্ধময় কৰি তুলিছিল। তেতিয়া বৰ হতাশ হৈ পৰিছিলোঁ। অৱশ্যে তেতিয়া মই প্ৰায়েই চিডনী ফ্ৰষ্টৰ কথা এষাৰ মনলৈ আনিছিলো যে ... "হতাশাক প্ৰশ্ৰয় নিদিবা, অন্যথাই ই তোমাক গ্ৰাস কৰি নিব।"

(৭)

ঠাণ্ডাটো যেন আৰু অধিক তীব্ৰ হৈ পৰিছে। মাজে মাজে মৰা দুই এজাক বতাহে অধিক শীতলতা কঢ়িয়াই আনিছে। শেষ নিশাৰ পৃথিৱীখন যেন অধিক নিস্তব্ধ হৈ আহিছে। পশ্চিম আকাশলৈ গতি কৰা জোনটোৰ পোহৰবোৰ যেন কুঁৱলীৰ ডাঠ আৱৰণ খনত ঠেকা খাই উভতি গৈছে। মই ভিতৰলৈ সোমাই গৈ কম্বলখন গাত মেৰাই লৈ পুনৰ আগৰ স্থানত বহিলোহি। পুনৰ খুলি দিলো স্মৃতিৰ সোণোৱালী খিৰিকিখন। হঠাৎ নীলমণি ফুকনৰ 'ৰাতি' কবিতাটোৰ দুটামান শাৰী আপোনা আপোনি ওলাই আহিল --

"হঠাৎ মাৰ গ'ল নূপুৰ শিঞ্জন। উটি গ'ল জোনাকী পাহি
দূৰণিলে বেদনাৰ অন্য এক তীৰৱৰ্তী আলোকত
মোৰ কুঠৰীৰ খোলা খিৰিকিত পাখি মেলি পৰি ৰ'ল
ৰাতিৰ কুঁৱলী মদিৰ এই শেষ শৰতৰ ৰাতি।"

উহো! আজিৰ এই নিশাটো মোৰ বাবে পাখি মেলি পৰি থকা নাই। ই যেন এই তিনিটা বছৰৰ স্মৃতিৰ পখিলা হিচাবে মোৰ মন খুটালিত পাখি মেলি উৰিহে ফুৰিছে। সঁচাকৈয়ে এই তিনিটা বছৰত মই আৱিস্কাৰ কৰিছিলো মোক, মোৰ জীৱনক। আৰু! আৰু কি লাভ কৰিছিলো বাৰু? আৰু লাভ কৰিছিলো কেইটামান ভাল বন্ধু।

প্ৰথম দিনাই চিনাকি হোৱা মৃন্ময়, কবীৰৰ লাহে লাহে চিনাকি হৈ অন্তৰংগ হৈ পৰিলো মৃদু, জিন্টু, গীতাৰ্থ, ঋজু আদি ল'ৰাকেইটাৰ লগত। সেইদৰে আমাৰ ডিপাৰ্টমেন্টৰ জলী, অংকিতা, ময়ূৰী, বিপাশা, সুৰঞ্জনা, এই ছোৱালীকেইজনীৰ লগতো এক বন্ধুত্ব গঢ়লৈ উঠিছিল। কিন্তু এই কলেজখনত বৰ আচৰিত কথা এটা দেখিছিলো। ইয়াৰ প্ৰায়ভাগ ল'ৰাৰেই অন্তৰংগ বন্ধুত্ব গঢ়ি উঠে নিজৰ ডিপাৰ্টমেন্টৰ ল'ৰাৰ লগত হে। আন

ডিপাৰ্টমেন্টৰ ল'ৰা-ছোৱালীৰ লগত বন্ধুত্ব থাকে কিন্তু অন্তৰংগতা যেন কম।

আমাৰ যি বন্ধু মহল আছিল; এই বন্ধুমহলৰ মাজত প্ৰায়েই বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হৈছিল। আমাৰ এই আড্ডাবোৰ বহিছিল কেতিয়াবা মেজৰৰ ৰুমত, কেতিয়াবা কলেজ কেন্টিনত আৰু কেতিয়াবা আড্ডা বহিছিল মিলন নগৰৰ হাজৰিকা পাণ দোকানৰ সন্মুখত। আমাৰ আড্ডাৰ বিষয়বোৰ যিদৰে প্ৰেম, জীৱন, ঈশ্বৰ, সমসাময়িক ৰাজনীতি, অৰ্থনীতি, খেল আদি উচ্চখাপৰ আছিল; সেইদৰে আছিল বহুতো নিম্নখাপৰ পাতলীয়া অশ্লীল বিষয়ো। আমি আমাৰ এই আড্ডাবোৰৰ মাজলৈ আৰু অধিক ল'ৰা-ছোৱালীক আনিবলৈ তথা ইয়াৰ মাধ্যমেৰে কলেজখনত এক সুস্থ বাতাবৰণ গঢ়িবলৈ আমাৰ ডিপাৰ্টমেন্টতেই এটা অধ্যয়ন চক্ৰ খুলিব বিচাৰিছিলোঁ। প্ৰথমতে সকলোৱেই উৎসাহ দেখুৱাইছিলো, কিন্তু পাছলৈ আমিহে হতাশ হ'লোঁগৈ। আমাৰ প্ৰচেষ্টা বিফল হ'ল। তথাপিও আমাৰ বন্ধু মহলৰ মাজত আড্ডা কিন্তু চলি থাকিল। কি মাদকতা আছিল এই আড্ডাবোৰত। এইবোৰৰ মাজতেই যেন আমি বিচাৰি পাইছিলোঁ কলেজীয়া জীৱনৰ যৌৱনোদ্দীপ্ত প্ৰাণ চপলতা। আহ! বৰ অস্থিৰ কৰি তোলে এই স্মৃতিবোৰে।

আৰু এটা ল'ৰা আছিল আমাৰ লগত। কি আছিল বাৰু তাৰ নামটো? অ, মনত পৰিছে, দ্বীপজ্যোতি। আমি তাক জোকোৱা নাম দিছিলো ক'ক। বৰ আচৰিত চৰিত্ৰৰ ল'ৰা আছিল সি। যোৱা তিনিটা বছৰত সি কেৱল মাত্ৰ পঢ়া কথাৰ বাদে একোকে নাপাতে। মোৰ কাণত পৰিছিল যে আমি অন্যান্য কথা পাতি থকাৰ বাবে বহুতকে সি আমাৰ লগত ফুৰিবলৈ মানা কৰিছিল হেনো। এতিয়াও তাৰ এটা দৃশ্য মনত পৰিলে মোৰ হাঁহি উঠে। সি সদায় আমাৰ মেজৰৰ ক্লাছ ৰুমৰ দুৱাৰ মুখৰ পৰাই তাৰ বেগটো খুলি কিতাপ বা বহী এখন উলিয়াই লয় আৰু ৰুমত সোমায়েই মোক, মৃন্ময়ক, জলী, অংকিতা বা ময়ূৰীক সুধোযে মেজৰৰ অমুকখন পেপাৰৰ নোট আছে নেকি? বা অমুকখন কিতাপ আছে নেকি? তাৰবাবে কৰ্চৰ কথাৰ বাহিৰে যেন পৃথিৱীত একো কথাই নাই। মোৰ ৰুমলৈও কেতিয়াবা আহিলে কেৱল মাত্ৰ দৰকাৰী কথা কেইটা পাতি গুচি গৈছিল। সি অৱশ্যে নিজেই কৈছিল যে সি হেনো বৰ স্বাৰ্থপৰ। তাৰ স্বাৰ্থপূৰণৰ বাবে বন্ধুকো ঠগিব পাৰে। সেয়ে তাৰ নাম আমি ক'ক ৰাখিছিলো। অৰ্থাৎ Crocodile সিযে কিমান দিন আমাৰ সৰস আলোচনাৰ মাজত কৰ্চৰ কথা উলিয়াই ৰসভঙ্গ কৰিছিল। কেতিয়াবা আমাৰ খং উঠে আৰু কেতিয়াবা আমি তাক বুজাই কওঁ যে চোৱা দ্বীপজ্যোতি, জীৱনক সুন্দৰকৈ গঢ়াৰ আমাৰো স্বপ্ন আছে। কিন্তু ভালকৈ পৰীক্ষাত পাছ কৰি. ভাল দৰ্মহা পোৱা চাকৰি এটা কৰা মানেই সুন্দৰ জীৱন নহয়। জীৱনক তেতিয়াই সৰ্বাঙ্গ সুন্দৰ বুলিব পাৰি যেতিয়া ই সকলো দিশৰ পৰা পূৰ্ণতাৰ ফাললৈ ধাবিত হয়। সেয়ে বাহিৰৰ জগতখনলৈও ভুমুকি মাৰি চাবা। নহ'লে বহুত পিছ পৰি যাবা।

কেৱল দ্বীপজ্যোতিয়েই কিয়; মোৰ অন্তৰঙ্গ বন্ধু কেইটাও আছিল বিচিত্ৰ চৰিত্ৰৰ, মোৰ অতি মৰমৰ বন্ধু মৃন্ময়ৰ চৰিত্ৰ আছিল বিচিত্ৰতাৰ সমাহাৰ। অতি মাত্ৰা চেন্টিমেন্টেল সি। গল্প, কবিতা লেখা বাবেই নেকি? কাৰণ এনে লেখা-মেলা কৰা মানুহবোৰ সাধাৰণতেই চেন্টিমেন্টেল হয়। তাৰ আৰু এটা কথা মোৰ পছন্দ নহৈছিল, সেইটো হ'ল, সি নিজৰ মতটোৰ বাদে অন্য মত কেতিয়াও মানি নলৈছিল। সেইদৰে তাৰ আৰু এটা কথাই মোক আচৰিত কৰিছিল। কেতিয়াবা তাক অনুমান হয় সি যেন বৰ পৰম্পৰাবাদী আৰু কেতিয়াবা অনুভৱ হয় যুক্তিবাদী। অৱশ্যে সিয়েই এদিন আমাৰ আগত কৈছিল -"চা তহঁতক মই এটা কথা কওঁ; মানুহ কেতিয়াও যুক্তিবাদত অন্ধ হৈ পৰম্পৰা বিৰোধী হ'ব নালাগে। কাৰণ পৰম্পৰাক এৰাই চলিলে মানুহ ছিন্নমূল হয়। সেইদৰে, পৰম্পৰাক অন্ধভাবে অনুসৰণ কৰিলেও নহ'ব; কাৰণ যুক্তিবিহীন ভাবে পৰম্পৰাক অনুধাৱন কৰিলে সি তহঁতক অন্ধকাৰলৈহে ঠেলি নিব।"

সেইদৰে মৃদু আছিল বৰ শান্ত আৰু লাজকুৰীয়া। সেয়ে আমি তাক প্ৰায়েই কওঁ যে তই ইমান লাজকুৰীয়া কিয়? ই কিন্তু তোৰ মাজত এক নীচাত্মিকা ভাৱৰ উন্মেষ ঘটাব। সি আমাৰ আলোচনাবোৰৰ মৌন শ্ৰোতা আছিল। অথচ কেতিয়াবা সি এনে এটা গভীৰ কথা কৈ দিয়ে যি আমাক অলপ হ'লেও ভবাই তুলিছিল। মৃদুৰ কথা ভাবোতে এটা কথা হঠাৎ মনলৈ আহি গ'ল। সি বৰ ৰঙা বগা আছিল। একেবাৰে ইউৰোপিয়ানৰ দৰে সেয়ে সি ন-বিশৰ ক্লাছ কৰিবলৈ আহোতে বাটত লগ পোৱা ছল্টব্ৰোক একাডেমীৰ ছোৱালী কেইজনীমানে তাক দেখিলেই বগামূলা বুলি জোকাইছিল। সি কলেজলৈ আহি একেবাৰে গৰম হৈ যায়। আমি

কওঁ যে তয়ো কিবা এটা কবি আকৌ। পাছে ছোৱালী কেইজনী দেখিলে সি লাজতেই একো নাই হৈ তলমূৰ কৰি গুচি আহিছিল।

জিন্টু আৰু কবীৰৰ চৰিত্ৰৰ প্ৰায় সামঞ্জস্য আছিল। দুয়োটাই কথাবোৰ বৰ ৰসিকতা কৰি ক'ব পাৰিছিল। সেইদৰে সিহঁতৰ আছিল জীৱন সম্পৰ্কে এক গভীৰ দৃষ্টিভঙ্গী। অৱশ্যে এই দৃষ্টিভঙ্গীত অলপ পাৰ্থক্য আছিল। জিন্টু আছিল যুক্তিবাদী আৰু কবীৰ আছিল বহুপৰিমাণে পৰম্পৰাবাদী। সেইদৰে আন এটা বন্ধু গীতাৰ্থৰ লগত অৱশ্যে বন্ধুত্ব এবছৰ মানৰ আগতেহে হৈছে। তাৰ লগত আমাৰ বন্ধুত্ব গঢ়লৈ উঠিছিল পঢ়া-শুনাৰ মাজেৰেহে। সি প্ৰচুৰভাবে বাহিৰা কিতাপ পঢ়ে। কবিতাও লেখে। কিন্তু তাৰ জীৱন সম্পৰ্কে আছে এটা বৰ pessimistic ধাৰণা। যিটো আমি বহু কৈও আঁতৰাব নোৱাৰিলো।

সি যিকি নহওক, যোৱা তিনিওটা বছৰত এই অন্তৰঙ্গ বন্ধু কেইটাক যিদৰে পাইছিলো, যাক A friend in need is a friend in deed বুলিব পাৰি, সেইদৰে পাইছিলোঁ বহুকেইটা স্বাৰ্থপৰ, উদণ্ড লগৰীয়া। যিদৰে লগ পাইছিলো কলেজৰ ক্লাছলৈ. টিউচনলৈ যাওঁতে সুৰামত্ত হৈ যোৱা ল'ৰা, সেইদৰে পাইছিলো ঋজুৰ দৰে শান্ত বন্ধু।

আচলতে বাস্তৱ জীৱন তেনেকুৱাই। জীৱনত আমি ভাল-বেয়া, শুভ-অশুভ বহুতো বস্তু পাওঁ। কিন্তু ইয়াৰ মাজত শুভ শক্তিক চিনাক্ত কৰা বৰ জটিল।ময়ো মাজে সময়ে অশুভ শক্তিৰ লগত উটি গৈছিলো। কিন্তু যেতিয়াই মই ভাবি দিওঁ যে মই জীৱনটোক ভালপাওঁ। সেয়ে ঘৰৰ পৰা বহুদূৰত ইয়ালৈ আহিছোঁ তেতিয়াই মই শুভ শক্তিক চিনাক্ত কৰিবলৈ যত্নপৰ হৈছিলো। প্ৰকৃততে শুভ শক্তিক চিনাক্ত কৰিবলৈ হ'লে মানুহৰ থাকিব লাগিব জীৱনৰ প্ৰতি চৰম ভালপোৱা। জীৱনক গভীৰ ভাবে প্ৰেম কৰিব জানিব লাগিব। জীৱনক ভাল পাব জানিলেহে জীৱনক উপলব্ধি কৰিব পাৰি আৰু জীৱনক উপলব্ধি কৰিলেহে জীৱনৰ মাদকতা লাভ কৰিব পাৰি।

(৮)

প্ৰেম। এই শব্দটো মনলৈ অহাত এক শিহৰণ অনুভৱ কৰিলো। যোৱা তিনিটা বছৰত কানৈ কলেজত বহু কেইটা প্ৰণয়ী যুগল দেখিলোঁ। দৰাচলতে আমাৰ ডিপাৰ্টমেন্টটো কলেজৰ এমূৰত আছে বাবে প্ৰেমিক যুগলবোৰৰ বাবে আমাৰ ডিপাৰ্টমেন্টটো আছিল ভূ-স্বৰ্গ স্বৰূপ। ইমানবোৰ প্ৰেমিক যুগলৰ ভিতৰত কিন্তু আমাৰ বন্ধু মহলৰ আকৰ্ষণ আছিল এহাল যুৱক-যুৱতী। সিহঁত প্ৰায়েই নিৰ্জন মুহূৰ্তবোৰত আমাৰ ডিপাৰ্টমেন্টত বহি থাকে আৰু কথা পাতে এক গভীৰ অন্তৰংগতাৰে। সিহঁতক এইদৰে বহি থকা দেখিলে আমাৰ ভাল লাগি যায়। সেয়ে আন বহুতে সিহঁতক কিবা কিবি কৈ বতিব্যস্ত কৰাৰ পৰিবৰ্ত্তে, আমি সিহঁতৰ পৰা অলপ দূৰত বহি সিহঁতক প্ৰায়েই লক্ষ্য কৰি থাকিছিলো। তেতিয়া আমি এক মাদকতা অনুভৱ কৰিছিলোঁ। সিহঁতে প্ৰায়েই মৌন হৈ দুয়োৰে চকুৰে চকুৰে চাই থাকে। কেতিয়াবা দুই এটা কথা পাতে। আমাৰ ধাৰণা হয় চৌদিশৰ কোলাহলময়তাৰ মাজত সিহঁতে যেন অনুভৱ কৰে এক গভীৰ নিৰ্জনতা। সিহঁতক এইদৰেই লক্ষ্য কৰি থাকিলে মোৰ মনলৈ প্ৰায়েই আহিছিল হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ দুটা শাৰী-

"জানা সঠিক, তেজৰ সমুদ্ৰত আছে প্ৰেমৰ দ্বীপ
উপমাৰ নকৰো অপচয়, প্ৰেম নিৰ্জনতাৰেই প্ৰতীক।"

সেই যুৱক-যুৱতীহালৰ যৌৱনোদ্দীপ্ত প্ৰেমৰ কথা ভাবি থাকোতে হঠাৎ মনলৈ প্ৰণামীৰ কথা আহিল। আচলতে নিৰ্জনতাত অকলে বহি থাকিলে মোৰ স্মৃতিলৈ তাইৰ কথা প্ৰায়েই আহে। প্ৰকৃততে তাই আছিল মোৰ প্ৰথম প্ৰেম। প্ৰথম প্ৰেম বুলি ক'লেও ভুল নহ'ব নিশ্চয়। কাৰণ আগতেও মই প্ৰেমত পৰিছোঁ। সেয়ে আছিল স্কুলত। সেই প্ৰেমত আবেগ আছিল; নাছিল যে উষ্মা, হৃদয়ৰ আকুলতা। কিন্তু আবেগ বিহীন প্ৰেম জানো প্ৰেম? এই প্ৰেমত জানো মাদকতা আছে? উহঁ নাই। অথচ প্ৰণামীৰ প্ৰেমত পাইছিলোঁ সেই উষ্মা আৰু লাভ কৰিছিলোঁ এক চৰম মাদকতা। তাইৰ ঘৰ আছিল নামৰূপত। এবাৰ মোৰ বন্ধু কবীৰৰ লগত নামৰূপলৈ যাওঁতে প্ৰথম প্ৰণামীক লগ পাইছিলো। প্ৰথম দিনৰ কথা বতৰাতেই মই অনুভৱ কৰিছিলোঁ এক আকুলতা। এই আকুলতা মই তাইৰ চকুতো দেখিছিলোঁ। তেতিয়া তাই মেট্ৰিক পৰীক্ষা দিছিল। মেট্ৰিক পাছ কৰাৰ পাছত তাই আমাৰ কলেজলৈকে পঢ়িবলৈ আহিছিল। তেতিয়া প্ৰায়েই তাইৰ লগত কথা পাতিছিলোঁ। যোৱা দুটা বছৰত তাইক বহুবাৰ অন্তৰংগ ভাবেও পাইছিলোঁ। প্ৰত্যেকবাৰেই আমি অনুভৱ কৰিছিলো এক উষ্মতা অথচ আমি দুয়ো দুয়োৰে হৃদয়ৰ বাৰ্তা স্পষ্টকৈ ক'ব পৰা

নাছিলোঁ।

অথচ এটা আবেলি আহিছিল। কি বুলি ক'ব পাৰি বাৰু সেই আবেলিটোকে? স্বৰ্গীয় নে বিষাদ-বিহ্বল। নাই নাই বাস্তৱ বুলিব পাৰি। হয় বাস্তৱেই ঠিক হ'ব। কাৰণ সেই আবেলিটোত মই সন্মুখীন হৈছিলো বাস্তৱৰ সৈতে। এই বাস্তৱৰ এফালে আছিল স্বপ্নময়তা আৰু আনফালে ৰূঢ়তা। এই আবেলিটোতেই তাই মোক লগ ধৰিছিল ফুৰিবলৈ। আমি আবেলি ওলাই গৈছিলোঁ। গ্ৰেহেম বজাৰৰ ওচৰৰ মন্দিৰটোৰ সন্মুখত তাই হঠাৎ থমকি ৰৈ মোক কৈছিল -- "শশাংকদা, মোক সৌ তাৰ পৰা চাকি এগছ আনি দিবা"।

ঃ কেলৈ

ঃ মানুহে কয়, এই মন্দিৰটোত চাকি এগছ দি পূজা কৰিলে মনৰ সকলো আশা পূৰ্ণ হয়।

ঃ বাদ দিয়া হে এইবোৰ কথা। এটা মূৰ্তিক পূজা কৰি কি লাভ?

ঃ তুমি কেলৈ তেনেকৈ কৈছা শশাংকদা? তুমি দেখিছো এটা মস্ত নাস্তিক।

ঃ তুমি যিয়েই কোৱা, নীৎসে এ কি কৈছিল জানা? "God is dead"

ঃ সেইবোৰ পাশ্চাত্য মানুহৰ বাবে পুৰ্ণ স্বতন্ত্ৰতা দাবী কৰা মানুহৰ কথা। সেইবুলি আমি আমাৰ মূল্যবোধক হেৰুৱাম নে?

ঃ ওহোঁ, নহয়। আমাৰ কবিয়েও কি কৈছে জানা? নবীন কবি মেগন কছাৰীয়ে এটা কবিতাত কৈছে -

"নিশা নামিলেই সকলো ঈশ্বৰ টোপনি যায়
তেওঁলোকক চিঞৰি মিছাতেই নিৰৱতাক
ভংগ নকৰিবা। তাতকৈ আহা আমি একেলগে
সকলো ভগৱানৰ বাবে একোটা কবৰ খান্দো।"

আচলতে প্ৰণামী, ঈশ্বৰ বুলি কোনো এটা বস্তু নাই। ই মাত্ৰ এটা সত্বা; সত্য আৰু সুন্দৰৰ।

ঃ তুমি এইবোৰ কি কৈ থাকা মই একোকেই বুজি নাপাওঁ শশাংকদা। প্লিজ মোক চাকি এগছ আনি দিয়া।

মই বাধ্য হৈ তাইক চাকি এগছ আনি দিলোঁ। তাই চাকি গছলৈ মন্দিৰলৈ সোমাই গ'ল। মই ওচৰৰ পাণ দোকানত পাণ এখন খাই তাইলৈ ৰৈ আছিলোঁ। অলপ পাছত তাই মন্দিৰৰ পৰা ওলাই আহি মোক কৈছিলহি -- "বলা যাওঁ শশাংকদা।"

ঃ বাৰু প্ৰণামী, তুমি মন্দিৰত কি কামনা কৰিলা?

ঃ তোমাৰ নিচিনা নাস্তিক এটাক কি প্ৰয়োজন এইবোৰ কথাৰ?

ঃ মই কিন্তু বাহিৰত থাকিয়েই কি প্ৰাৰ্থনা কৰিলো জানা? মই মোৰ নিঃসঙ্গতা আঁতৰাবৰ বাবে এজন সঙ্গীৰ প্ৰাৰ্থনা কৰিলোঁ।

ঃ কিয়, তোমাৰতো বহু কেইজন ভাল বন্ধু আছে।

ঃ নহয় হে লাইফ পাৰ্টনাৰৰ কথা কৈছো অ'। তুমি বৰ আকঁৰী হৈ আছা হে।

তাই লাজত ৰঙা পৰি গৈছিল। প্ৰসঙ্গটোৰ পৰা আঁতৰি আহিবলৈকে তাই মোক কৈছিল -- "শশাংক দা, আজি আমি ব্ৰহ্মপুত্ৰৰ মথাউৰিত নবহোঁ। অলপ আগবাঢ়ি গৈ বালিত বহিম দেই। তোমাক কিছু কথা ক'বলৈ আছে।"

আমি দুয়ো গৈ মথাউৰিৰ পৰা নামি ব্ৰহ্মপুত্ৰৰ বুকুৰ বালিত কিছুদূৰ গৈ এডোখৰ নিৰ্জন ঠাইত বহিলোগৈ। বেলিটো তেতিয়া পশ্চিম আকাশত ডুব গৈছিল। এক তেজ ৰঙা বৰণে যেন ছাটি ধৰিছিল গোটেই পৃথিৱীখন। এই সময়কণ আমাৰ বাবে আছিল বৰ আৰামদায়ক। আমি এইদৰে গধুলি নামি অহাৰ দৃশ্যটো উপভোগ কৰি বহু সময় মৌন হৈ বহি আছিলোঁ। যেতিয়া আমাক ৰাতিৰ আন্ধাৰবোৰে আবৰি ধৰিছিল, তেতিয়া প্ৰণামীয়ে ৰাতিৰ নিস্তব্ধতাক ভঙ্গ কৰি মোক কৈছিল - "আচ্ছা শশাংক দা, মই যদি ইয়াত নাথাকিলোহেঁতেন তোমাৰ কেনেকুৱা লাগিল হেঁতেন বাৰু? মই কথাটো কিন্তু Seriously সুধিছো দেই। তুমি আকৌ পাতল কৰি নিদিবা।"

ঃ মই বৰ অকলশৰীয়া অনুভৱ কৰিলোহেঁতেন জানা প্ৰণামী। আৰু হয়তো কলেজীয়া জীৱনৰ পূৰ্ণতাও নাপালোহেঁতেন চাগৈ।

তাই তেতিয়া আবেগিক হৈ মোৰ হাত এখনত ধৰি কৈছিলঃ "মোৰো একেই হ'লহেঁতেন শশাংক দা। মই তোমাক লগ পাই যেন জীৱনৰ প্ৰকৃত অৰ্থ পালো, জীৱনক ভাল পাবলৈ শিকিলো আৰু এটা কথা শশাংক -দা, যিটো মই ইমানদিনে ক'ম বুলিয়েই ক'ব পৰা নাই। সেইটো হৈছে মই তোমাক লগ পাই প্ৰেম কি তাক অনুভৱ কৰিব পাৰিলোঁ।"

মোৰ গাটো শিহৰিত হৈ গৈছিল। জোনৰ স্তিমিত পোহৰত দেখিছিলো, তাই চকুৰ কোণ দুটা সেমেকি উঠিছিল। আমি দুয়ো

কিমান সময় ইজনে সিজনলৈ চাই আছিলো ক'ব পৰা নাছিলোঁ। প্ৰণামীয়ে নিজকেই কিছু সংযত কৰি কৈছিল - "কিন্তু শশাংক দা, কালিলৈ মই যামগৈ।"

ঃ তাৰ মানে?

ঃ কালিলৈ মই একেবাৰেই ঘৰলৈ যমগৈ।

ঃ কি? কি কথাবোৰ কৈছা প্ৰণামী?

ঃ হয়; মই ঠিকেই কৈছো, শশাংক দা। আজি মাৰ পৰা এখন চিঠি পাইছোঁ। তুমিতো জানাই, মই ক্লাছ নাইনত থাকোতেই দেউতা ঢুকাইছিল। এতিয়া মায়েই ঘৰখন চলায়। তাৰ উপৰিও মোক ইয়াত পঢ়াইছে, ভাইটিটোও পঢ়ি আছে। কিন্তু মায়ে চিঠিখনত লেখিছে যে মোক হোষ্টেলত ৰাখি পঢ়াব নোৱাৰে। সেয়ে নামৰূপ কলেজতেই নাম লগাই দিব। মই সেইবাবে কালিলৈকে যাবগৈ লাগিব।

মই একো নকৈ মৌন হৈ পৰিছিলোঁ। তাই এই মৌনতা ভাঙি সহজ হ'বলৈ চেষ্টা কৰি মোক কৈছিল - "শশাংক দা, কি চিন্তা কৰিছা?"

মই এটা দীঘল হুমুনিয়াহ কাঢ়ি কৈছিলো - "নাই একো ভবা নাই। কিছুমান স্মৃতিয়ে আমনি দিছে।"

ঃ এতিয়া আৰু স্মৃতিৰ লগত সহাৱস্থান কৰিয়েই জীয়াই থাকিম। বাৰু শশাংক দা, তুমি মোৰ কথা এটা ৰাখিবা?

ঃ কি কথা?

